চান্দমামা

অগাস্ট ১৯৯৭



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :

ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬



চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ.

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

*

অগাস্ট ১৯৯৩

এই * আছে

সংখ্যাত

*

মহৎ জীৱিকা ?	:	৭
শ্ৰীকাঞ্চী কামকোটি	:	৯
সোঁত সলনি হ'ল	:	১১
চাকিৰ তলৰ এন্ধাৰ	:	১৬
অভিশপ্ত পুষ্প	:	১৭
শঠা আৰু সঁচা	:	২৫
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
ধন আৰু মন	:	৩৭
বহুৰা বুহলুল	:	৪২
বীৰ হনুমান	:	৪৫
এহেজাৰ এশ এটা কেছ	:	৫৩
মায়া-চিত্ৰ	:	৫৪
জুই	:	৫৮
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

এতিয়া পিডিলাইটৰ তৰফৰ পৰা ৱাটাৰ কালাৰ

পিডিলাইট

ফেভিক্ৰীল®

পিক্সি পেক

লগাবলৈ সহজ হয়, মন হয় স্ফূৰ্ত্তিময়।

A PIDILITE PRODUCT

everest/92/PIL/127-ass

পোলিঅ'প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিচ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন
জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।			

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

মহৎ জীৱিকা—হয়নে ?

বৃটেইন আৰু ওৱেলছৰ ছয় লাখ ১৪ বছৰীয়া ছাত্র-ছাত্রীয়ে যোৱা ৭ জুনৰ দিনা ৯০ মিনিটৰ ইংৰাজি পৰীক্ষা দিব নোৱাৰিলে। কাৰণ হ'ল : শিক্ষকসকলৰ অসহযোগিতা। তিনটা ইউনিয়নভুক্ত শিক্ষক-সকলেই উক্ত পৰীক্ষানুষ্ঠান 'বয়কট' কৰিলে।

উক্ত পৰীক্ষাৰ ফলাফলৰদ্বাৰা বৃটিছ চৰকাৰে এই সিদ্ধান্ত ল'ব পাৰা হ'লহেঁতেন যে এই পৰীক্ষাৰ্থীহঁতে সিহঁতৰ ১৬ বছৰ বয়সত ইউনিভাৰ্ছিটিসমূহত প্ৰৱেশাধিকাৰ পাবনে নাপায়, বা সিহঁতে এ-লেভেলত (A—Level) ভৰ্তি হ'বৰ কাৰণে আৰু দুবছৰলৈ এই একেই শ্ৰেণীত পঢ়িবনে কি। আৰু—ফলাফলৰ ভিত্তিত হয়তো কিছুমানৰ ছাত্র-ছাত্রীয়ে অন্যান্য জীৱিকাগত বাট—যেনে, ব্যৱসায়, বিভিন্ন প্ৰত্যক্ষ কাম-কাজৰ ট্ৰেনিং ইত্যাদিও ল'ব পাৰিলেহেঁতেন।

চৰকাৰে এই পৰীক্ষা গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ আগতে শিক্ষকসকলৰ সৈতে, বা বুদ্ধিজীৱীসকলৰ সৈতে, ছাত্র-ছাত্রীসকলৰ অভিভাৱকসকলৰ সৈতেও—এনে এক বৃহৎ পৰীক্ষা-যজ্ঞ অনুষ্ঠিত কৰাৰ বিষয়ে আলাপ-আলোচনা নকৰ্যাকৈ নাছিল।

কিন্তু এই পৰীক্ষা-গ্ৰহণৰ ধাৰা হ'ব ক্ৰটিপূৰ্ণ আৰু এই পৰীক্ষা-পৰিচালনাৰ কাৰ্য্য হ'ব তেওঁলোকৰ পক্ষে অত্যন্ত ওপৰঞ্চি শ্ৰমসাপেক্ষ বিষয়— পৰীক্ষা গ্ৰহণকাৰী শিক্ষকসকলৰ এনে অভিমতেই এনে অভিনৱ পৰীক্ষাগ্ৰহণ বন্ধ কৰি দিলে।

শিক্ষকতায়েই হেনো সৰাতোকৈ মহৎ জীৱিকা।

আহক, আমিও এটুপিমান অশ্ৰু বিসৰ্জোঁ।

বছৰ : ১৮   অগাস্ট ১৯৯৩ সংখ্যা : ৩

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০ টকা

পলোৱা, প্ৰাণ বচোৱা!

পৃথিবীত আহি নামিছেহি অপৰিচিত জীৱ। আৰু সিহঁতে বিচাৰি ফুৰিছে তোমাক। তোমাৰ পিছ লৈছে সিহঁতে। তোমাৰ পথো কঠিন, নানা বাধা-বিঘিনিৰে ভৰা। কেতিয়াবা ডকাইত, কেতিয়াবা ভগা দলং, কেতিয়াবা আকৌ বন্ধপথৰ বাধা! কিন্তু তোমাৰ চিন্তা কিহৰ! তোমাৰ লগত আছে তীব্ৰ বেগী হট হুইল 'ফেৰাৰী' (আৰু তোমাৰ পেঞ্চিল)। আৰু এটি পথ যি তোমাক লৈ যাব পাৰিব নিৰাপদ স্থানলৈ।



এই পৃষ্ঠাটো পূৰোৱাৰ পিচত কাটা আৰু নিজৰ নাম, বয়স, স্কুলৰ নাম লিখি এটা ডাকষ্টাম্পযুক্ত, তোমাৰ নাম-ঠিকনা লিখা লেফাফাৰ সৈতে এই ঠিকনাত পঠিওৱা — দি গ্ৰেট (এচকেপ) গেম, ব্লো প্লাষ্ট লি. (টয়জ ডিভিজন), লিঅ' হাউচ, 88 চি, অন্ত প্ৰভাদেবী ৰোড, বম্বে- 400 025 । সকলো শুদ্ধ প্ৰবেশকাৰীয়ে অত্যাকৰ্ষণীয় হট-হুইলৰ পোষ্টাৰ লাভ কৰিব। গতিকে সোনকাল কৰা!

আনন্দেৰে ভৰা খেলনাৰ পৃথিৱী।

HTA·1077·94



বিশেষ বাৰ্তা ঃ

শ্ৰীকাঞ্চী কামকোটি পীঠাধিপতি

শ্ৰীকাঞ্চী কামকোটি পীঠাধিপতি শ্ৰীচন্দ্ৰশেখৰেন্দ্ৰ সৰস্বতী মহাস্বামীৰ শত-জয়ন্তী-উৎসৱ ১৯৯৩ চনৰ মে' মাহৰেপৰাই আৰম্ভ হ'ল। ভং ৭কলে এই উৎসৱ অতি সমাৰোহৰে সৈতে উদ্‌যাপন কৰাটো স্থিৰ কৰিছে। শ্ৰীচন্দ্ৰশেখৰেন্দ্ৰ মহাস্বামীৰ নিচিনা আন কোনো পীঠাধিপতিয়ে ইমান দীৰ্ঘকাললৈকে এই পীঠাধিপতিৰ দায়িত্ব এনেকৈ কঢ়িউৱা জনা নাযায়।

আজিৰ এইগৰাকী পৰমাচাৰ্য্যই ৮৬ বছৰৰ আগতে আদি শংকৰৰ উত্তৰাধিকাৰী ৰূপে নিৰ্বাচিত হৈছিল। তেওঁৰ এই নিযুক্তিৰ কাহিনী অতি বিচিত্ৰ।

৬৬তম আচাৰ্য্য শ্ৰীচন্দ্ৰশেখৰ সৰস্বতী ১৯০৬ চনত স্বামিনাথন নামৰ বাৰ বছৰীয়া বালক এটিক দেখা পাই—এই বালকটিৰ দৃষ্টিত দিব্যশক্তিৰ প্ৰকাশ লক্ষ্য কৰি—বালকটিৰ প্ৰতি আকৃষ্ট হ'ল। তেওঁ এই বালকটিৰ মাজত জগদ্‌গুৰু হোৱাৰ পৰ্য্যাপ্ত লক্ষণো দেখা পালে আৰু সহযোগী পণ্ডিত-সকলক ক'লে যে তেওঁৰ মৃত্যুৰ পাছত এই বালকটিয়েই হ'ব কাঞ্চী মঠৰ পীঠাধিপতি।

এই ঘটনাৰ পৰবৰ্তী বছৰতে 'কলৱৈ' নামৰ গাঁৱত ৬৬তম আচাৰ্য্য তথা পীঠাধিপতিৰ দেহান্ত হ'ল। তেতিয়া স্বামিনাথন দিণ্ডিবনম্ নামৰ সৰু চহৰ এখনত থকা খৃষ্টান মিশ্যনাৰি স্কুলত পঢ়ি আছিল।, যি কি নহওক, বহু আগৰেপৰা ৬৬তম পীঠাধিপতিৰ সৈতে পৰিচিত হৈ থকাৰ হেতুকে, তেওঁৰ দেহান্তৰ পাছত স্বামিনাথনৰ জেঠাৰ ল'ৰাক ৬৭তম পীঠাধিপতি পতা হৈছিল। কিন্তু তেওঁৰ স্বাস্থ্যৰ অত্যন্ত অবনতি হোৱাত, সামান্য দিনৰ পাছত, বালক স্বামিনাথনক ৬৮তম শংকৰাচাৰ্য্যৰূপে বৰণ কৰা হ'ল। এইদৰে, ফুল-কোমল কিশোৰ এটিয়ে তাৎ পাৰিবাৰিক বন্ধন সম্পূৰ্ণৰূপে ছিন্ন কৰি সৰ্ব মোহ সৰ্ব মায়া পৰিহৰি জন-কল্যাণৰ বাবে নিজক উৎসৰ্গ কৰা হ'ল।

১৯০৬ চনৰ ফেব্ৰুৱাৰি মাহৰ ১২ তাৰিখৰ দিনা এই কাঞ্চী কামকোটি পীঠৰ ৬৮ তম পীঠাধিপতিৰূপে স্বামিনাথনক বৰণ কৰি লোৱা হ'ল। স্বামিনাথনে ৬৬ তম আচাৰ্য্যৰ তথা পীঠাধিপতিৰ নাম গ্ৰহণ কৰিলে, তেওঁ চন্দ্ৰশেখৰ সৰস্বতী নামেৰে আখ্যাত হ'ল। সেই সৰু বয়সৰেপৰাই তেওঁ অতি গুৰুভাৰ তথা কঠিন কৰ্তব্যসমূহ পালন কৰিবলগীয়া হৈছিল।

১৯০৯ চনৰপৰা একৈছ বছৰ ধৰি তেওঁ আদিশংকৰৰ পথ আৰু পদ্ধতিৰে সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমিবলৈ দিগ্বিজয়-যাত্ৰা কৰিলে। এই যাত্ৰা—যিমানেই দূৰ-সুদূৰ নহওক—সম্পূৰ্ণ পদযাত্ৰা। একান্ত অনিবাৰ্য্য হ'লে—তেতিয়াহে দোলা।

আমাৰ এইজনা পৰমাচাৰ্য্য অতি জ্ঞানী পুৰুষ। তেওঁ লাতিন, ফ্ৰেঞ্চ, গ্ৰিক আদি কৰি সোতৰটি ভাষাত সুপণ্ডিত। গ্ৰিছদেশৰ ৰাজমাতাই আমাৰ বৰ্তমান জগদ্গুৰু পীঠাধিপতিৰ সম্পৰ্কে কৈছে, "তেওঁ হ'ল নিৰ্মল আধ্যাত্মিকতাৰ আহি।" গ্ৰিছদেশৰ ৰাজকুমাৰীয়ে কৈছে, "তেওঁৰ দৰ্শনলাভেই হ'ল সম্পূৰ্ণ দৰ্শন। এগৰাকী আমেৰিকান ৰাষ্ট্ৰদূতে কৈছে, "তেওঁ হ'ল সন্যাসীসকলৰ ৰজা।"

১৯২৭ চনত গান্ধীজী আৰু পৰমাচাৰ্য্যই পৰস্পৰ বাৰ্তালাপ কৰি থাকোঁতে ৰাজাগোপালাচাৰীয়ে গান্ধীজীক এসময়ত সোঁৱৰাই দিছিলহি, "আহাৰৰ সময় হ'ল।" গান্ধীজীয়ে কৈ উঠিছিল, "পৰমাচাৰ্য্যৰ সৈতে বাৰ্তালাপেই হ'ল মোৰ আহাৰ।"

সাধাৰণতঃ, ৮৪ বছৰলৈ জীয়াই থকাৰ অৰ্থ হ'ল—'সহস্ৰ পূৰ্ণিমা' অতিক্ৰম। এনেবোৰ ক্ষেত্ৰত 'স্বৰ্ণ শতাব্দী অভিষেক' পালন কৰাটোৱেই হ'ল ৰীতি। কিন্তু—আমাৰ কাঞ্চী-পৰমাচাৰ্য্যৰ পৰিপূৰ্ণ এশ বছৰ হ'ল। সেইহে—তেওঁৰ 'শতাব্দী মহোৎসৱ' অতি সমাৰোহৰে পালিত হৈছে।

'জীৱনে মোক কি শিকালে' নামৰ গ্ৰন্থ লিখিছে তেওঁ। তাত তেওঁ কৈছে : পৰাৰ্থে জীৱন দানকাৰী কিছুমানক ঈশ্বৰে যে সৃজে, সেই কথাটিহে মোক জীৱনে শিকালে।'

পৰমাচাৰ্য্যৰ উপদেশ

বিভিন্ন ধৰ্ম-সিদ্ধান্তৰ মাজত প্ৰভেদ থাকিব পাৰে, এই কথাত কোনো দোষ নাই। সকলোৱেই একেই আচৰণ কৰিব বুলি আশা কৰা ঠিক নহয়। কিন্তু মৈত্ৰী আৰু একতা অতি আৱশ্যকীয় কথা।

আজিৰ পৃথিৱীয়ে অনুশাসন সিমান নমনা হৈছে, কাৰ্য্যক্ৰমানুসাৰে কোনেও জীৱনধাৰণ কৰা নাই, আজিৰ মানৱ লক্ষ্যহীন। এনে পৰিস্থিতিত একমাত্ৰ অনুশাসনেই আমাক সহায় কৰিব পাৰে। অনুশাসনৰ প্ৰতি বাধ্যতায়েই আমাৰ মাজত সদ্গুণ ঘূৰাই আনিব পাৰে। আনৰ দুখ-কষ্টলৈ আমি পৰস্পৰে যেতিয়া মন কৰিম, সহানুভূতিশীল হৈ উঠিম, নিজৰ কৰ্তব্যকৰ্ম অকাতৰে সাধিম, তেতিয়াহে অনুশাসনৰ মতে আচৰণ সম্ভৱ হৈ উঠিব। তথা অকুণ্ঠ নিৰ্মল অন্তৰে অনুশাসনে আমাক সৎ কাৰ্য্য কৰাত উৎসাহ যোগাব, হৃদয়-মন নিৰ্মল কৰিব।

সোঁত সলনি হ'ল

শ্ৰীপুৰ নামৰ গাঁৱত এজন সহজ-সৰল কৃষক আছিল। তেওঁৰ নাম আছিল ভূষণ। ভূষণ সহজ-সৰল, কিন্তু তেওঁৰ ঘৈণীয়েক কামাক্ষী আছিল বৰ জটিল-কূটিল আৰু বাখৰমুখী-দন্দুৰী স্বভাৱৰ। বিয়া কৰাই ঘৰলৈ লৈ অহাৰ প্ৰথমৰ ফালে কামাক্ষীৰ এনে দন্দুৰী স্বভাৱৰ কথা জানিও গিৰিয়েক ভূষণ চুপচাপ হৈ থকাত এতিয়া আৰু তাইৰ লগত বলে নোৱৰা হৈছে।

ভূষণ আৰু কামাক্ষীৰ তিনিজনী ছোৱালী আৰু একেটি মাথোন ল'ৰা। ডাঙৰ দুজনী ছোৱালী আৰু ল'ৰাটোও মাকৰ বাধ্য। মাকৰ কথাত উঠা-বহা কৰে।

কিন্তু সৰুজনী ছোৱালী চন্দনা আছিল আত্মাভিমানী। তাইক সৰুৰেপৰাই তাইৰ মাকে নিজৰ সাঁচত গঢ় দিবলৈ চেষ্টা কৰিছিল, কিন্তু এই কামত কামাক্ষী ব্যৰ্থ হৈছিল। তেজত যাৰ জটিলতা কুটিলতা নাই—কেনেকৈনো সৃষ্টি কৰিব? কিন্তু—সেই যে বোলে—চেষ্টাৰে কি কাম নহয়। চেষ্টা-কৰি কৰি এদিন মাক কামাক্ষীয়ে কিঞ্চিত সফলতা চন্দনাৰ ক্ষেত্ৰতো পালে।

কিন্তু চন্দনাৰ মাজত তাইৰ স্বভাৱ-বিৰুদ্ধ পৰিবৰ্তনৰ ছাঁ দেখা পাই দেউতাক ভূষণ অতিপাত চিন্তিত হৈ উঠিল।

এতিয়া চন্দনা পৰিল দোমোজাত কাৰ কথা শুনিব, কাৰ কথা দলিয়াব? তাই বৰ বিভ্ৰান্তিত পৰিল।

তিমানতে তাইৰ বিয়াৰ বয়সো হৈছিলেই। মাক কামাক্ষীয়ে—গিৰিয়েকক আগতীয়াকৈ একো নোকোৱাকৈয়েই কেশৱ নামৰ যুৱক

নিৰ্মলা বুজৰবৰুৱা

এজনৰ সৈতে চন্দনাক যোৰা পাতি দিবলৈ প্ৰায় ঠিকঠাকেই কৰি পেলালে।

কেশৱ পঢ়া-লিখা জনা, চৰকাৰী চাকৰিয়াল। ঘৰত মাক আছে তাৰ, দেউতাক কেতিয়াবাই ঢুকাল। ভনীয়েক এজনী আছিল, চুবুৰীয়া গাঁৱত তাইৰ বিয়া হ'ল। কেশৱৰ অৱস্থা সিমান টনকিয়াল নহয়, যদিও সিহঁতৰ পৰিয়ালখনত ব্যয়-বাহুল্যও একো নাই। কিয়নো—পৰিয়াল বোলোঁতে কেৱল মাক-পুতেকহে।

এদিন চন্দনাৰ সখিয়েক বিমলা সিহঁতৰ—অৰ্থাৎ চন্দনাহঁতৰ ঘৰলৈ ফুৰিবলৈ আহিল। এবছৰৰ আগতে বিমলাৰ বিয়া হৈছিল। কথাই কথাই কামাক্ষীয়ে বিমলাক সুধিলে, "তোমাৰ খবৰ ভালনে ?"

বিমলাই ক'লে যে দাম্পত্যজীৱনত তাই সুখী। কিন্তু বিমলাৰ এই উত্তৰ শুনি কামাক্ষী তুষ্ট নহল। কামাক্ষীয়ে বিমলাক ইকথা সিকথা সহস্ৰ কথা সুধি সুধি, নানান জেৰাৰে জেৰবাৰ কৰি, আচল কথাখিনি উলিয়াইহে এৰিলে।

বিমলাৰ শাহুৱেকে বিমলাক হেনো একেবাৰে ভাল নাপায়। তাই যি কয়, যি কৰে—শাহুৱেকৰ চকুত সকলো বিপৰীত কাণত সকলো গৰিহিত। তাই—অৰ্থাৎ বিমলাই তাই সক পৰিয়ালখনত অশান্তি হোৱাটো নিবিচাৰে বুলিহে সদায় মনে



মনে থাকে, কোনো কথাতে শাহুৰেকৰ মুখত নধৰে, শাহুৰেকক বাঘ দেখাদি দেখে। যদিও—এদিন আৰু সহিব নোৱাৰি এইবোৰ কথা তাই তাইৰ গিৰিয়েকক কৈছিল অৱশেষত। অস্বস্তিৰে শুনি—গিৰিয়েকে মাত্র ইমানকে ক'লে যে—'মা-য়ে যি কয়, তাকে শুনা, তাকে মানা।' বছ। তাইৰ কোনো কষ্ট লাঘৱ কৰিবলৈ কোনো দুখ পাতলাবলৈ গিৰিয়েকে চেষ্টাকে নকৰিলে।

সকলো শুনাৰ অন্তত কামাক্ষীয়ে বিমলাক ক'লে, "বোৱাৰীয়ে সদায় শাহুৰেকৰ কথা আৰু কামলৈ প্ৰথমৰে-পৰাই উপেক্ষাৰ ভাবহে দেখুৱাব লাগে। 'বোৱাৰী-চিকুণ কিলে'ৰ দিন এতিয়া আৰু নাই। ভৰিৰ তলুৱাৰ তলত ৰাখিব নাজানিলে, ভৰিৰ তলুৱাৰ তলত থাকিব লাগিব।"

পাছত মাক কামাক্ষীয়ে চন্দনাক ক'লে, "বিমলাৰ কথাখিনি শুনিলিয়েই নহয়? তয়ো এদিন-নহয়-এদিন শহুৰি খাটিবলৈ যাব তো লাগিবই। বিমলাক যি কৈছোঁ, তোকো তাকেই কওঁ। প্ৰথমৰেপৰাই শাহুৰেকলৈ উপেক্ষা কৰিবি, তেহে ভাল-কুশলে থাকিব পাৰিবি। নহ'লে জীয়ন্তে মৰিবি। শহুৰি খাটিবলৈ যাওঁতে মোৰ এইখিনি কথা কাপোৰৰ লুচত বান্ধি লৈ যাবি, বুইছ?"



মাকৰ এই কথাখিনিয়ে চন্দনাজনীৰ মনত দ'কৈ সাঁচ পেলালে।

কিছুদিনৰ অন্তত চন্দনাৰ বিয়াখন পতা হ'ল। সেই কেশৰৰ সৈতেই। চন্দনাৰ শাহুৰেক পাৰ্বতী আছিল কোমল স্বভাৱৰ মহিলা। তেওঁৰ মনত সকলোটিলৈ অপাৰ মৰম, কিন্তু কাম-বনত দোষ-ত্ৰুটি তেওঁ একেবাৰে সহিব নোৱাৰে। তেতিয়া জ্বলি-পকি উঠে।

এদিন শাহুৰেক পাৰ্বতীয়ে ক'লে, বোৱাৰীয়েক চন্দনাক "আই, সাঁজ লাগিলেই, চাকিবোৰ জ্বলাই দিয়া।"

কিন্তু চন্দনাই শাহুৰেকৰ কথামতে চাকিবোৰ তেতিয়াই নজ্বলালে।

বাধ্যত পৰি শাহুৰেক পাৰ্বতীয়েই চাকিবোৰ জ্বলালে। তাৰ পাছত তেওঁ চন্দনাক কৰ্থনা কৰাত চন্দনাই ক'লে, "আমাৰ ঘৰত মোক কোনেও এইবোৰ কাম কৰিবলৈ কোৱা নাছিল।"

পাৰ্বতীয়ে ক'লে, "তোমালোকৰ ঘৰত কি কৈছিল বা নকৈছিল সেইবোৰ ইয়াত কেনেকৈ চলিব? এইখন তোমাৰ নিজৰ ঘৰ, ইয়াত সকলো কাম তুমিয়েই চম্ভালিব লাগিব। মইনো আৰু কেইদিন?"

এয়ে আৰম্ভণী। তাৰ পাছৰপৰা শাহুৰেক-বোৱাৰীয়েকৰ মাজত খিটিং খাতাং লাগিয়েই থাকে। মাক-ঘৈণীয়েকৰ মাজত যে নৈ এখনৰ সৃষ্টি হৈছে, কেশৰেও সেই কথালৈ মন নকৰাকৈ থকা নাই।

এনেতে এদিন বিমলা চন্দনাৰ ওচৰলৈ আহিল আৰু চন্দনাই বিমলাৰ ওচৰত শাহুৰেকৰ লগত থৈ থকা খুচমুচীয়া খকা-খুন্দাৰ কথাখিনি ভাঙি-পাতিয়েই ক'লে।

শুনি বিমলাই আচৰিত মানি ক'লে, "হাৰে আজলীজনী! মাৰৰ কথা শুনি এনেকৈ মৰিবলৈ ওলাইছনে? তই যি কৰিছ—ভুলহে কৰিছ। নিজক শুধৰাই ল', সোঁত সলনি হৈ যাব।"

চন্দনাই ভুৰু কোঁচাই কৈ উঠিল,

"তোমাৰ এই উপদেশ—সঁচানে বাৰু? মোৰ বিয়াৰ আগে আগে তুমি যে আমাৰ ঘৰলৈ আহিছিলা—আমাৰ মাক কি কৈছিলা তোমাৰ শাহুৱেৰাৰ কথা—পাহৰিলাইনে? তোমাৰ অৱস্থাৰ কথা শুনিহে মাই মোক প্ৰথমৰেপৰাই শাহুৱেৰালৈ উপেক্ষা কৰিবলৈ কৈছিল।"

বিস্মিতা বিমলাই চন্দনাজনীক সৰু সৰুকৈ ভালেখিনি কথা কৈ—অলপ পাছত তাৰপৰা গুচি গ'ল।

বিমলাই কৈ যোৱা কথাখিনিৰ বাস্তৱ পৰীক্ষা ল'ব বুলি স্থিৰ কৰি পাছদিনা ধলপুৱাতে চন্দনা বিছনা এৰি উঠিল, আৰু গা-পা ধুই ৰান্ধনি-ঘৰলৈ সোমালগৈ। এই ঘটনা চকুত পৰাত শাহুৱেক পাৰ্বতীৰ মনত আনন্দৰ ঢৌ বাগৰি আহিল। যিজনী বোৱাৰীয়ে কেতিয়াও বেলি ওলোৱাৰ আগতে বিছনা এৰি নুঠে, তাইৰ মাজত ইমান পৰিৱৰ্তন! দেখি তেওঁ বাস্তৱিকতে অবাক হৈ পৰিল।

এই ঘটনাৰ পাছৰপৰা—বোৱাৰীয়েক চন্দনায়েই হৈ উঠিল ঘৰখনৰ প্ৰকৃত কৰ্ত্ৰী। শাহুৱেক পাৰ্বতী হেনো বয়সস্থা হ'ল, বোৱাৰীয়েকে তেওঁক আৰু কাম-বন সিমান কৰিবলৈ নিদিয়ে।

কিছুদিনৰ অন্তত চন্দনা গৰ্ভৱতী হ'ল। তেতিয়া শাহুৱেক পাৰ্বতীৰ মনত পাৰ-ওপোচা আনন্দ। এতিয়া তেওঁ আৰু বোৱাৰীয়েকক কাম কৰিবলৈ নিদিব! আনকি ভাতমুঠিও ৰান্ধনি ঘৰৰপৰা কোঠাতে আনি দিব তেওঁ।

চন্দনাই এদিন হাঁহি হাঁহি শাহুৱেকক ক'লে, "আই, আৰু কেদিনমানৰ পাছত মোক খুৱাইহে দিব কিজানি।"

শাহুৱেক পাৰ্বতীয়েও হাঁহি হাঁহিয়েই ক'লে, "তোমাৰ নিচিনা বোৱাৰী পালে যেইকোনোজনীয়েই জী বুলি ভাবি লাগিলে খুৱাই-ধুৱাই দিব তো—?"



চাকিৰ তলৰ এন্ধাৰ

বিধানপুৰৰ ৰজা বিকটসেন স্বয়ং আছিল হিংসাত্মক চৰিত্ৰৰ ৰজা। অনাৱশ্যক যুদ্ধ, যুদ্ধবন্দী-ইতৰ ওপৰত অত্যাচাৰ আদি কৰি বিকটসেনে তেওঁৰ হিংসা-প্ৰবৃত্তি চৰিতাৰ্থ কৰিছিল।

মহামন্ত্ৰী ধৰ্মকীৰ্তিৰ হিত-বচনলৈ'ৰজাই কাণসাৰো নকৰা হৈছিল। আৰু উদক দেখি বোন্দায়ো ডুবিউৱাৰ দৰেই, ৰজাক হিংসা আচৰণ কৰা দেখি প্ৰজাবৰ্গয়ো হিংসা-হিংসি কৰিছিল। আৰু তাৰ ফলত প্ৰজাৰ মাজত একতাৰ প্ৰকট অভাৱ পৰিলক্ষিত হৈছিল।

এনেতে—মহামন্ত্ৰীৰপৰা আমন্ত্ৰণ পাই সত্যনাথ নামৰ খ্যাতিমান সাধু এগৰাকী বিধানপুৰলৈ আহিল। সাধু সত্যনাথে ৰজা বিকটসেনক পুৰাণ উপনিষদ শ্ৰুতি স্মৃতি ইত্যাদিৰপৰা পাঠ কৰি শুনালে আৰু ব্যাখ্যা কৰি ক'লে যে—অহিংসা পৰম ধৰ্ম বুলি সকলো শাস্ত্ৰতে কোৱা হৈছে। সাধু সত্যনাথৰ কথা ৰজা বিকটসেনেও মানি ল'লে আৰু হাত যোৰ কৰি ক'লে, "হে মহাত্মা! আপুনি মোৰ গুৰুদেৱ। কিমতে যে গুৰুদক্ষিণা দিম—ভাবি উলিয়াবপৰা নাই, গুৰুদেৱ!"

সাধু সত্যনাথে মিচিকীয়াকৈ হাঁহি ক'লে, "হে ৰজা, ৰাজ্যখনত হিংসা-প্ৰবৃত্তি ত্যাগ কৰিলেই মোক যথাযোগ্য গুৰুদক্ষিণা দিয়া হ'ব।"

"যি আজ্ঞা, হে মহাত্মা! আপোনাৰ এই আজ্ঞা, নিশ্চয় পালিত হ'ব।" এই বুলি কৈ, ৰজা বিকটসেনে মহামন্ত্ৰী ধৰ্মকীৰ্তিক ক'লে, "আজিৰপৰা আমাৰ এই ৰাজ্যত যদি কোনোবাই হিংসা আচৰণ কৰে, তাক কোনো বাছ-বিচাৰ নকৰাকৈয়েই লগে লগে কাটি দুছোৱা কৰা হ'ব—এয়ে মোৰ আদেশ। এই আদেশ সমগ্ৰ ৰাজ্যত ঘোষণা কৰিব লাগে।"

সাধু সত্যনাথ আৰু মহামন্ত্ৰী ধৰ্মকীৰ্তিয়ে ৰজাৰ আদেশৰ কথা শুনি ভেবা লাগি চাই ৰ'ল।



অভিশপ্ত পুষ্প

৩

[আগৰ কথা : ৰাজগুৰু গোবিনাথে ৰজা প্ৰতাপবৰ্মা আৰু ৰাজকুঁৱৰী প্ৰিয়ম্বদাকো সেই বিচিত্ৰ তথা অভিশপ্ত পুষ্পৰ বিপদৰ বৃত্তান্ত বিবৰি ক'লে। সেই বৃত্তান্ত শেষ হোৱাৰ লগে লগেই সেনাধিপতি গম্ভীৰসিংহই ৰজা প্ৰতাপবৰ্মাক এই বাতৰি দিলেহি : ৰাজ্যৰ দক্ষিণ-সমুদ্ৰতটৰ অধিবাসীইঁত তেওঁলোকৰ ঘৰ-দুৱাৰ এৰি দলে দলে পলাই ৰাজধানীলৈ আহিছে। তেওঁলোকৰ ঘৰ-দুৱাৰো নিশ্চিহ্ন হৈছে। ভগনীয়া ক্ৰমাত বাঢ়ি গৈছে। আৰু তাৰ পাছত…]

ৰাজ্যৰ দক্ষিণ সমুদ্ৰতটস্থ প্ৰজাবৰ্গৰ ঘৰ-দুৱাৰবোৰ অকস্মাৎ কিহৰ কাৰণে ধৰাশায়ী তথা নিশ্চিহ্ন হ'ল সেই কথা কোনেও জানিব পৰা নাই। যিনিশা এই ঘটনা ঘটিল, সেই নিশা কোনো ধুমুহা নবলিছিল, বা ভুঁইকঁপো হোৱা নাছিল। বতৰ আছিল অতি প্ৰশান্ত। কিন্তু ক'ৰপৰা কি যে হ'ল—বিনামেঘে বজ্ৰপাত হ'ল। অকস্মাৎ সমুদ্ৰ ওফন্দি উঠিল আৰু সমুদ্ৰৰপৰা দুৱাৰ-গঁৰিলা তীৰলৈ ভীমবেগে বাগৰি আহি মহা-প্লাৱনৰ সৃষ্টি কৰি সকলো ধ্বংস-বিধ্বংস কৰি গ'ল।

আৰু চাওঁতে চাওঁতে ভগনীয়াৰে ৰাজধানী ভৰি পৰিল। এনেকুৱা এক মহা-দুৰ্দৈৱমূলক অৱস্থাৰ বাবে ৰজা, প্ৰজা কোনো প্ৰস্তুত হৈ থকা নাছিল। গতিকে —কেৱল দক্ষিণ সমুদ্ৰতটৰ প্ৰজায়েই নহয়, ৰাজধানীৰ ৰজা-সেনাপতি প্ৰমুখো

এক অতি অথন্তৰীয়া ঘটনা তথা দুৰ্ঘটনাৰ চাকনৈয়াত সাঙোৰ খাই পৰিল। ৰজা-ৰাজকৰ্মচাৰী মন্ত্ৰী-মহামন্ত্ৰী সৈন্য-সৈন্যাধ্যক্ষ—সকলো দুশ্চিন্তিত হৈ উঠিল।

ৰা জ কুঁ ৱ ৰী প্ৰি য় ম্ব দা ই তেওঁৰ সখিয়েকহঁতৰ সৈতে লগ লগি ত্ৰাণ-কাৰ্য্যৰ বিষয়ে নানান আলোচনা-বিলোচনা কৰি আছিল। ভগনীয়া প্ৰজাহঁতৰ মাজত তিৰোতাহঁ-ত আৰু সৰু সৰু ল'ৰা-ছোৱালীহঁতক ৰাজপ্ৰাসাদৰ কোনোবা এঠাইত আশ্ৰয় দিব পাৰিনে লি—সেই কথাৰ বিৰামবিহীন ভাবে আলোচনা চলি আছিল আৰু এই আলোচনা প্ৰায় মাজ নিশালৈকে চলি থাকিল।

ৰাতি পুউৱাৰ লগে লগে মহাৰাজ প্ৰতাপবৰ্মাই 'তেওঁৰ সেনাধিপতিৰ সৈতে ভগনীয়াহঁতৰ বিষয়ে কি ব্যৱস্থা অবলম্বন কৰা হৈছে আৰু কি কি নতুন নতুন ব্যৱস্থা অৱলম্বন কৰা হ'ব—সেই কথাৰ খৰচি মাৰি আলোচনাৰ বাবে ৰাজপ্ৰাসাদ এৰি ওলাল।

মহাৰাজক দেখা পায়েই দুৰ্গত-দুৰ্দশাগ্ৰস্ত প্ৰজাবৰ্গই মহাৰাজক আগুৰি ধৰি এই আকস্মিক দুৰ্ঘটনাৰ কথা সমস্বৰে কৈ থাকিল ; তেওঁলোকৰ অৰ্থাৎ দুৰ্গত প্ৰজাবৰ্গৰ কথা হ'ল—তালৈ, অৰ্থাৎ দক্ষিণ সমুদ্ৰতটলৈ আৰু উভতি গৈ লাভ নাই। তাত জীৱনৰ সকলো চিনেই নিশ্চিহ্ন। তাত এতিয়া—যিমানদূৰলৈ দৃষ্টি যায়—পানী পানী আৰু পানী! গতিকে—মহাৰাজে কি কৰে কৰক।

"মোৰ মৰমৰ প্ৰজাবৰ্গ! আপোনা-লোকৰ যি আৰু যিমান হানি হৈছে, সেইবোৰ পৰিপূৰণ কৰাৰ পূৰ্ণ দায়িত্বও মই লৈছোঁ। পিছে—এই আকস্মিক ঘটনাৰ মূল্যায়ন কৰিবলৈ আমাক কিছু সময় লাগিব। সেই সময়ছোৱা—আপোনালোক আমাৰ আলহী হৈ থাকক।" মহাৰাজে এই কথা কোৱাৰ

অন্তত তেওঁৰ সেনাধিপতিলৈ চালে।

"মহাৰাজ!" সেনাধিপতি গম্ভীৰসিংহই ক'লে, "কালিয়েই মই আমাৰ ৰাজ্যৰ দক্ষিণ সমুদ্ৰতটলৈ কিছুমান সৈন্য পঠালোঁ। তেওঁলোকে নিশ্চয় তাৰ পৰিস্থিতিৰ বিশদ বিবৰণ কঢ়িয়াই আনিব। মই দিনে-নিশাই পৰিস্থিতিৰ খা-খবৰ লৈ আছোঁ, আৰু পৰিস্থিতি যাতে আৰু বেয়ালৈ ঢাল নলয়, তাৰ তাৰ বাবে লক্ষ্য ৰাখিছোঁ, তথা বিভিন্ন ব্যৱস্থাও অৱলম্বন কৰিছোঁ।" সেনাধিপতিয়ে মহাৰাজ প্ৰতাপবৰ্মাক ক'লে।

"ভাল, অত্যন্ত ভাল কাম কৰিছা।" মহাৰাজে সেনাধিপতিলৈ আন্তৰিক সাধুবাদ জ্ঞাপন কৰিলে।

"আন এটি শুভ-সংবাদো আপোনাক দিম, মহাৰাজ!" প্ৰসন্ন দৃষ্টিৰে মহাৰাজলৈ চাই সেনাধিপতি গম্ভীৰসিংহই ক'লে, "ভগনীয়াহঁতৰ তিৰোতা আৰু ল'ৰা-ছোৱালীখিনিৰ আশ্ৰয় আৰু নিৰাপত্তাৰ বাবে আমাৰ ৰাজকুঁৱৰীয়ে তেওঁৰ সখিয়েক সকলৰ লগ লাগি সুচাৰুৰূপে বন্দৰস্ত কৰিলে—এই অতি আনন্দকৰ তথা আৱশ্যকীয় সংবাদ ৰাজকুঁৱৰীৰ সখিয়েকসকলৰ সূত্ৰেই মই পাইছোঁ।"

"দুখীয়া-ভুকীয়াসকলক সেৱা কৰাৰ প্ৰবৃত্তি আমাৰ প্ৰিয়ম্বদাৰ মাজত সকৰেপৰাই লক্ষ্য কৰি আহিছোঁ। ঠিক





আছে, তাই কেনেকুৱা বন্দবস্ত কৰিলে—আমি চাই আহোঁগৈ, ব'লা।" মহাৰাজ প্ৰতাপবৰ্মাই তেওঁৰ সুযোগ্য সেনাধিপতি গম্ভীৰসিংহক ক'লে।

ৰজা প্ৰতাপবৰ্মা আৰু তেওঁৰ সেনাধিপতি ৰাজপ্ৰাসাদৰ দক্ষিণভাগ পালেগৈ। তাত তেতিয়া শৰণাৰ্থী তিৰোতাসকল আৰু সৰু সৰু ল'ৰা-ছোৱালীহঁত সুশৃংখল ভাবে বহি আছিল আৰু ইটো-সিটো খাই আছিল। তাত যদিও শৰণাৰ্থীহঁত আছিল, তথাপি তাৰ পৰিবেশ আছিল অতি পৰিষ্কাৰ-পৰিচ্ছন্ন।

সকলো বন্দৱস্ত চাই ৰজা প্ৰতাপবৰ্মাদেৱে ভাল পালে আৰু ক'লে, "প্ৰিয়ম্বদা, তোমাৰ এই উদাৰ চৰিত্ৰ অতি প্ৰশংসনীয়। পীড়িত তথা দুখ-দুৰ্দশাগ্ৰস্তৰ সেৱাত নিয়োজিত হোৱাতকৈ মহৎ কাৰ্য্য জগতত আৰু নাই। তোমাক প্ৰশংসা কৰাৰ ভাষা মোৰ নাই। তুমি নিজ-গুণেৰেই উজ্জ্বল হৈ আছা, আৰু থাকিবা। তোমাৰ পিতৃ হিচাপে মই বাস্তৱিকেই গৰ্বিত বোধ কৰিছোঁ। ইয়াত থকাখিনিৰ সুখ-সুবিধাৰ তথা নিৰাপত্তাৰো দায়-দায়িত্বও তোমাৰ ওপৰত অৰ্পিছোঁ।"

ৰাজকুঁৱৰী প্ৰিয়ম্বদাই ক'লে "দেউতা, আমাৰ এই ঠাইৰ পৰিস্থিতিৰ বাবে আপুনি পৰিপূৰ্ণ নিশ্চিন্ত হওক। ইয়াত থকাখিনিৰ কোনো অসুবিধা বা বিপদাপদ নোহোৱালৈ আমি সতৰ্ক দৃষ্টি ৰাখিম—মোৰ এই কথাৰ ওপৰত আপুনি নিঃচিন্তে নিৰ্ভৰ কৰিব পাৰে। আপুনি অন্য ঠাইৰ শৰণাৰ্থীসকলৰ কথা চিন্তক।"

ৰজা প্ৰতাপবৰ্মাদেউ আৰু সেনাধিপতি গম্ভীৰসিংহ যেতিয়া ৰাজপ্ৰসাদ এৰি বাহিৰলৈ ওলাই আহিল, তেতিয়া চাৰিজন সৈন্য হেঁপাই-ফোঁপাই সেনাধিপতিৰ কাষ চাপিল। সিহঁতৰ মুখকেইখন শেঁতা পৰা, দৃষ্টি বিহ্বল-বিভ্ৰান্ত।

সেনাধিপতিয়ে সৈন্য চাৰিজনক

সুধিলে, "তোমালোকৰ কি হ'ল ?"

"কালি আমাৰ যিসকল সৈন্য-দক্ষিণ সমুদ্ৰতটলৈ পঠোৱা হৈছিল, সিহঁতৰ—"

বৈ দিয়াত সেনাধিপতিয়ে ডাবি মাৰি সুধিলে, "সিহঁতৰ কি হ'ল ?"

"কালি তালৈ যিবোৰ সৈন্যক পঠোৱা হৈছিল, সিহঁতৰ—তাত চিন-মোকামো নোহোৱা হ'ল।" সৈন্যবিলাকে ক'লে।

"তাৰ মানে—" আশ্চৰ্য্য আৰু চিন্তিত হৈ পৰা সেনাধিপতিয়ে সুধিলে, "তাৰ মানে—সিহঁতৰ কি হ'ল ?"

"কি যে হল—সেই কথাটো ক'বলৈকো তাত কোনো নাই। আজি সেই ঠাই পুৱা যেতিয়া আমি পালোঁগৈ—তেতিয়া তাত কোনো এজনকো দেখা পোৱা নাছিলোঁ। সেই ঠাইডোখৰ আছিল নিস্তব্ধ—নিমাও মাও। আৰু তাত আছিল প্ৰজাসকলৰ ঘৰ-দুৱাৰৰ ধ্বংস-স্তূপ।" বিভ্ৰান্ত সৈন্যকেইজনে ক'লে।

সেনাধিপতিয়ে সুধিলে, "আজি পুৱা যিবোৰ সৈনিকক তালৈ পঠোৱা হৈছিল—উভতি আহিলনে ?"

"মাত্ৰ তিনিজন উভতি আহিল। আন কোনো অহা নাই, আৰু তেওঁলোকৰ লগত যোৱা দলাধিপতি বীৰসিংহদেৱো নিপাত্তা হৈ গ'ল।" সৈন্যকেইজনে ক'লে।

"বীৰসিংহ উভতি অহামাত্ৰেই মোৰ সৈতে সাক্ষাৎ কৰে যেন—কৈ দিবা।"





সেনা মজুত ৰাখিবা। কিয়নো—এই শৰণাৰ্থীহঁতক এদিন আমি নিশ্চয় তালৈ ওভোতাই পঠাব লাগিবই।"

ৰাজাজ্ঞা শিৰোধাৰ্য্য কৰি সেনাধিপতি গম্ভীৰসিংহ গহীন-গম্ভীৰভাবে ওলাই আহিল, আৰু ঠিক তেতিয়াই বিপৰ্য্যস্ত-বিভ্ৰান্ত যেন লগা দলাধিপতি বীৰসিংহক বিপৰীত ফালৰপৰা আহি থকা দেখা গ'ল।

সেনাধিপতিয়ে বীৰসিংহক সুধিলে, "কথা—কি? তোমাক ইমান বিপৰ্য্যস্ত-বিহ্বল যেন লাগিছে কিয়? প্ৰকৃততে—তাত ঠিক কৈ হৈছে কোৱাচোন?"

"সেই ঠাইৰ সকলো কথায়েই অতি অদ্ভুত, হুজুৰ! কালি আমি বিবোৰ সৈন্যক সেই দক্ষিণ সমুদ্ৰতটলৈ পঠাইছিলোঁ, সিহঁত যে তালৈ গৈছিল, তাৰ স্পষ্ট প্ৰমাণ আছে তাত। কিয়নো—সৈন্যহঁতৰ ভৰিৰ অসংখ্য ছাপ তাত দেখা গৈছে। কিন্তু তাৰ পাছত যে কি হ'ল—তাৰ কোনো চিন-মোকামেই পাবলৈ নাই। সেই কথা ক'বলৈ তাত কোনো জন-মনুষ্য নাই!" দলাধিপতি বীৰসিংহই সেনাধিপতিক বিবৰিলে।

"এতিয়া কি কৰিবা বুলি ভাবিছা?" সেনাধিপতিয়ে সুধিলে।

"মোৰ প্ৰস্তাৱ হ'ল—আমি আকৌ

সেনাধিপতিয়ে আদেশ দিলে।

বিহ্বল-বিভ্ৰান্ত সৈন্যকেইজন তাৰপৰা গুচি গ'ল।

ৰজা প্ৰতাপবৰ্মাদেৱে সেনাধিপতি গম্ভীৰসিহক ক'লে, "ইয়াত থকা শৰণাৰ্থীহঁতে যদি এই কথা শুনে যে সেই অঞ্চলত যিয়েই গৈছে সিয়েই নোহোৱা হৈছে—তেনেহ'লে কথা বিষম হৈ উঠিব। সিহঁত আৰু কেতিয়াও তালৈ উভতি নাযাব। গতিকে—এই কথা যাতে সিহঁতৰ কাণত নপৰে—তাৰ যথোচিত বন্দবস্ত কৰিবা। আৰু—যেনেকৈয়েই নহওক—সেই দক্ষিণ সমুদ্ৰতটত সদা-সৰ্বক্ষণৰ বাবে

তালৈ—অৰ্থাৎ দক্ষিণ সমুদ্ৰতটলৈ সৈন্য পঠাব লাগিব। কিন্তু সেই সৈন্যবাহিনীক এঠাইত মাত্ৰ মোতায়েন নকৰি—তিনি ভাগ কৰি তিনি ঠাইত মোতায়েন কৰিম। এঠাইত যদি কিবা বিপদ হয়, সেই বিপদগ্ৰস্তইঁতে বাঁহী বজাই অন্য ঠাইৰ সৈন্যইঁতক আহ্বান কৰিব। তিনি ভাগত বিভক্ত হৈ থকা সৈন্যইঁতে এইদৰেই পৰস্পৰৰ মাজত যোগাযোগ ৰক্ষা কৰিব। মই কালিলৈ ধলপুৰাতে এবাৰ তালৈ যাম, আৰু পৰিস্থিতিৰ সঠিক মূল্যায়ন কৰি পুনৰ ইয়ালৈ উভতি আহি আপোনাৰ সমীপলৈ আহিম।" দলাধিপতি বীৰসিংহই সেনাধিপতিক ক'লে।

"চা—ব্বাইচ! আঁচনি কৰা মতেই কাম কৰা।" সেনাধিপতিয়ে ক'লে।

তাৰ পাছত সেনাধিপতি গম্ভীৰসিংহ ৰজা প্ৰতাপবৰ্মাদেউৰ ওচৰলৈ গ'ল আৰু তেওঁক সকলো বিস্তাৰিত ক'লেগৈ।

পাছদিনা, ধলপুৱাতে দলাধিপতি বীৰসিংহ সেনাধিপতিৰ ওচৰলৈ আহিল. বীৰসিংহক দেখা পায়েই সেনাধিপতিয়ে সুধিলে, "ইমান সোনকালেই পালাহি যে? কোৱাঁ, তাত কি পৰিস্থিতি, সকলো ভাঙিপাতি কোৱাঁ।"

"প্ৰভু!" দলাধিপতি বীৰসিংহই শুকান মাতেৰে ক'লে, "তাৰ পৰিস্থিতি বৰ ভয়ানক। আমাৰ সৈন্যইঁতৰ বক্তব্য হ'ল — তাত এটা ভয়ংকৰ ৰাক্ষসেহে এইবোৰ অভাৱিত কাণ্ড কৰিছে!"

"ৰাক্ষস!"

শুনি প্ৰায় হতবাক হৈ পৰা সেনাধিপতিয়ে সুধিলে।

"হয়, প্ৰভু! ৰাক্ষস! সেই ভয়ানক পৰ্বতাকাৰ ৰাক্ষসটো হেনো মাজনিশাৰ পৰতে সমুদ্ৰগৰ্ভৰপৰা ওলায় আৰু সি-ৰাক্ষসে তাৰ আগত যি পায় তাকে ধ্বংস কৰে!"

[আগলৈ



শঠা আৰু সঁচা

অটল প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য তথাপি অধৈৰ্য্য নহ'ল। তথাপি পুনৰ সেই গছৰ ডালৰপৰা মৰা শ'টো নমাই আনি কান্ধত পেলাই লৈ আউসীৰ ঘোৰ অন্ধকাৰৰ মাজেদি মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'টোৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা বিক্ৰম! তুমি যদি কৰোবাৰ কথাত এই দুষ্কৰ কাৰ্য্য কৰিবলৈ ওলাইছা, তেনে'হলে তুমি অন্ততঃ এই কথাটো ভাবি চোৱা আৱশ্যক যে, তোমাক এনেহেন অতি দুষ্কৰ কাৰ্য্যলৈ উদগোৱা ব্যক্তিজন প্ৰকৃততে সঁচা নে শঠা। কেতিয়াবা কেতিয়াবা মানুহে সঁচাতকৈ শঠাৰ কথাতহে অধিক ভোল যায়। সেইহেআজি মই এক শঠা আৰু সঁচাৰ কাহিনী ক'ম।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

বহু কালৰ আগতে এঠাইত ৰামনাথ নামৰ এজন সৰু বেপাৰী আছিল। ৰামনাথে বেপাৰ কৰিছিল, যদিও চিত্ৰাংকণ আৰু গীত-বাদ্যৰ কলাবিদ্যাতো ৰমনাথৰ কিঞ্চিত পাৰদৰ্শিতা আছিল আৰু এইবোৰ কলাবিদ্যাৰে কেতিয়াবা কেতিয়াবা ৰামনাথে কিছু কিঞ্চিত আৰ্জিছিলও। সেইহে বেহা-বেপাৰৰ অৱস্থা বৰ ভাল নোহোৱাত, ৰামনাথৰ পৰিবাৰ সীতাই ৰামনাথক তাৰ কলাবিদ্যাৰ কথা সোঁৱৰাই বাৰে বাৰে চহৰলৈ যাবলৈ কলাবিদ্যাৰে তাত জীৱিকা আৰ্জিবলৈ আৰু চহৰতে নিগাজী হৈ থাকিবলৈ কৈছিল। বেপাৰ কৰাত কৌশল লাগে কিন্তু কলাবিদ্যাত কৌশলৰ আৱশ্যক নাই—সীতাৰ কথা হ'ল এয়ে। চহৰত এবাৰ যদি ৰামনাথৰ কলাবিদ্যাৰ প্ৰচাৰ হয়, তেনেহ'লে সেই কলাবিদ্যাৰেই সিহঁতহালে আয়মেৰে খাই-বৈ থাকিব পাৰিব—সীতা এই কথাত নিঃচিন্ত।

দিন-প্ৰ তি দি ন সদা-সৰ্বক্ষণ এই একেইবোৰ কথা পেঘেনীয়াই থকাত, এদিন ৰামনাথেও চহৰলৈ যোৱাটোকে খাটাং কৰিলে আৰু এখন গৰুৰ-গাড়ীত উঠি সেই দিনাই চহৰলৈ বুলি ৰাওণা কৰিলে।

গৈ গৈ ভালেখিনি বাট পাৰ হৈ যোৱাৰ পাছত হঠাৎ গৰুৰ গাড়ীখনৰ চকা এটা টুটিল আৰু গাৰোৱানে ৰামনাথক আৰু ৰামনাথৰ ঘৈণীয়েককো গাড়ীৰপৰা নামিবলৈ ক'লে।

এতিয়া কি হ'ব? এতিয়া—বাটৰ আগফালে হাবি, পিছফালে অৰণ্য। খোজ কাঢ়ি কাঢ়ি চহৰলৈজো যোৱা সম্ভৱ নহয়, গাঁৱলৈ বুলি হোঁহকা দিয়াৰো উপায় নাই।

যেতিয়া এনেবোৰ চিন্তাত মূৰৰ চুলি ছিঙিৰ উপক্ৰম, ঠিক তেতিয়াই কিছু দূৰত আন এখন গৰুৰ গাড়ী দেখা পাই সিহঁত-

হালে যেনিবা জীৰ ঘূৰাই পোৱা হ'ল।

গাড়ীখন যেতিয়া ৰামনাথহঁতৰ ওচৰ চাপিল, তেতিয়া ৰামনাথে সেই গাড়ীৰ গাৰোৱানৰপৰা সহায় প্ৰাৰ্থনা কৰিলে।

বিৰাট দীঘল গোঁফকোচাৰে গাৰোৱানে-ৰামনাথক ক'লে, "মই যেইকোনো মানুহ গাড়ীত উঠাই ল'ব নোৱাৰোঁ নহয়? মই মাত্ৰ মোৰ চিনা-জনাহঁতকহে সহায় কৰিব পাৰোঁ। চোৱাচোন ভাই—ভালকৈ ভাবি চোৱাচোন—মই তোমালোকৰ জনা-চিনা হওঁনে নহওঁ? ভালকৈ ভাবা।"

গাৰোৱানৰ ৰহস্যময় কথা শুনি ৰামনাথে ভালদৈ চালে গাৰোৱানজনলৈ। ওঁ, চিনাকি চিনাকি যেন লাগিছে দেখোন! ই বাৰু—তাৰ সৰুকালৰ বন্ধু সত্য—সত্যানন্দ নহয়নে? পাছ মুহূৰ্ততেই ৰামনাথে তাৰ সৰু কালৰ পৰম বন্ধু সত্যানন্দক সত্যে সত্যে চিনি পাই আনন্দত একেবাৰে আত্মহাৰা হৈ উঠিল।

সত্যানন্দই ৰামনাথৰ গাড়ীখন মেৰামতী কৰি থাকোঁতে ক'লে, "মই এতিয়া এটা বিশেষ জৰুৰী কামত আন এঠাইলৈ যাবলগীয়া হৈছোঁ, নহ'লে ময়েই তোমালোক কলৈ গ'লোহেঁতেন, চহৰলৈ। ঠিক আছে, মই তোমাক মোৰ ঘৰৰ ঠিকনা আৰু কেনেকৈ যাব লাগিব তাকো কৈ দিম। তোমালোক আপাততঃ আমাৰ ঘৰতে থাকিবাগৈ। মই মোৰ কামৰপৰা উভতি নহালৈকে ক'লৈকো নাযাবা। মই উভতি আহোঁতে — প্ৰায়ে তুমাহমানেই লাগিব। ভালকৈ শুনি থোৱা ৰামনাথ, তুমাহৰ অন্তত মই যেতিয়া উভতি আহিম, তেতিয়াহে তোমালোক আমাৰ ঘৰৰপৰা যাব পাৰিবা।"

তাৰ পাছত সৰুকালৰ বন্ধু ৰামনাথ আৰু তাৰ পৰিবাৰক সত্যানন্দই সিহঁতৰ ঘৰলৈ লৈ যোৱাৰ সঠিক নিৰ্দেশ দিলে সেইখন গাড়ীৰ গাৰোৱানক। আৰু তাৰ পাছত সিহঁতহালৰপৰা বিদায় লৈ



সত্যানন্দ তাৰ গাড়ীখন চলাই গুচি গ'ল।

সত্যানন্দ গুচি যোৱাৰ পাছত সীতাই ৰামনাথক ক'লে, "চহৰত আপোনাৰ ইমান ভালৰো ভাল বন্ধু আছে বুলি দেখোন মোক আপুনি কোনোদিনে ভুলে-পাহৰণেও কোৱাই নাছিল।"

"মোৰ পোন্ধৰ বছৰ বয়সলৈকে এইজন সত্যানন্দ আৰু ধনশেখৰ নামৰ আন এজন মানুহ আছিল মোৰ নলেগলে লগা বন্ধু। মোৰ চিত্ৰাংকণ আৰু গীত-বাদ্যও সিহঁত দুয়োজনেই বৰ ভাল পাইছিল। কিন্তু পাছত সিহঁতে গাঁও এৰি গুচি গ'ল চহৰলৈ। আৰু তেতিয়াৰে পৰা ই এৰাএৰি। ইমান বছৰৰ পাছত আজিহে এজনৰ লগত দেখাদেখি হ'ল।" ৰামনাথে সীতাক ক'লে।

সীতাই সুধিলে, "আপোনাৰ আনজন বন্ধু ধনশেখৰো সেই একেইখন চহৰতে থাকেনে কি?"

"মই যেতিয়া সত্যানন্দক ধনশেখৰৰ কথা সুধিলোঁ, তেতিয়া সত্যানন্দই প্ৰায় নুশুনাৰ ভাও জুৰিলে। মাত্ৰ ইমানকে ক'লে যে—সেই আগৰজন আমাৰ সঁচা বন্ধু ধনশেখৰজন এতিয়া আৰু নাই, সি একদম অন্য মানুহ হৈ গ'ল। সত্যই আৰু ক'লে যে—ধনশেখৰৰ বিষয়ে তাক আৰু একো কথা নোসোধায়েই ভাল।"

যিকি নহওক, ৰমনাথহঁতৰ গাড়ীখনে চহৰ পালেগৈ, আৰু চহৰৰ মাজেদি অলপমান গৈ অতি ঠেক গলি এটাত গাড়ীখন সোমাল। এই ঠেক গলিয়েদি কোনোমতে মাত্ৰ এখন গাড়ীহে যাব পাৰিছিল। কিন্তু সেই গলিপথত আন এখন গাড়ীও বৈ আছিল আৰু এজনৰ লগত দেখাৰ কথা পাতি আছিল।

এই গাড়ীখনৰ গাৰোৱানে যেতিয়া সিখন গাড়ীৰ গাৰোৱানক অলগমান পিছুৱাই গৈ গাড়ীখনক যাবলৈ দিবলৈ ক'লে, তেতিয়া সিখন গাড়ীৰ গাৰোৱানে



কৈ উঠিল, "এইখন গাড়ী কাৰ জানানে ? এইখন আমাৰ ধনশেখৰ ডাঙৰীয়াৰ গাড়ী বুইছা ? আমাৰ যিমান সময় মন যায়—ইয়াত ৰৈ থাকিম, কোনো বেটাই একো মাত মাতকচোনহি চাওঁ ? তুমি নিজৰ গাড়ী পিছুৱাই লৈ যোৱা আৰু আন ৰাস্তাইদি যোৱাগৈ।"

গাৰোৱানে কথাখিনি গাড়ীৰ ভিতৰত বহি থকা ৰামনাথক ক'লেহি। শুনি, গাড়ীৰ পৰা নামি, সিখন গাড়ীৰ গাৰোৱানক সুধি বুজি পালে যে সিখন গাড়ীৰ মালিক ধনশেখৰেই হ'ল তাৰ সৰুকালৰ বন্ধু ধনশেখৰ।

কথাটো সীতাক কোৱাত সীতাই ৰামনাথক ক'লে তাৰ পৰম বন্ধু ধনশেখৰৰ ঘৰলৈ যাবলৈ। কিন্তু ৰামনাথৰ তালৈ যাবলৈ মন নাই। কিয়নো—সত্যানন্দই তাক ধনশেখৰৰ কথা-প্ৰসংগত ইয়াকো কৈছিল যে ধনশেখৰে ধনত শিতান দি থকাৰ গৰ্বত মানুহক মানুহ বুলি নাভাবে।

তেতিয়া ধনশেখৰো এটা বিশেষ কামলৈ ওলাইছিল। পিছে—তেওঁ দুমাহ নহয়, দুদিনৰ ভিতৰতে উভতি আহিব। ধনশেখৰে ৰামনাথক ক'লে সিহঁতৰ ঘৰলৈ যাবলৈ। গৈ—তাৰ পৰিবাৰক ক'লেই হ'ব যে সি ধনশেখৰৰ বন্ধু। গাৰোৱানে ঘৰটো তাক দেখুৱাই দিব।

এইবাৰ ধনশেখৰৰ গাড়ীখনেই পিছুৱাই গ'ল আৰু ৰামনাথৰ গাড়ীখন ধনশেখৰৰ গাড়ীৰ পিছে পিছে গৈ থাকিল।

গাড়ীৰ ভিতৰ বহি ৰামনাথে সীতাক ক'লে, "সত্যানন্দই কিন্তু আমাক অতি আনন্দৰে তাৰ ঘৰলৈ যাবলৈ কৈছিল। বোধহয়—প্ৰথমে সত্যৰ ঘৰলৈকে যোৱা উচিত আছিল।"

সীতাই কৈ উঠিল, "মনে মনে থাকক। সত্যানন্দই আমাক কেৱল তাৰ ঘৰৰ ঠিকানাটোহে কৈ গুচি গ'ল নিজৰ কামত। কিন্তু ধনশেখৰে নিজে আন

এখন গাড়ীত উঠি নিজৰ কামলৈ গ'ল, আৰু নিজৰ গাড়ীখনৰ গাৰোৱানক আমাৰ কাৰণে এৰি থৈ গ'ল আমাক তাৰ ঘৰটো দেখুৱাই দিবলৈ। গতিকে — প্ৰথমে ধনশেখৰৰ ঘৰলৈহে যাব লাগে।"

ধনশেখৰৰ গড়ীৰ গাৰোৱানটোৱে ধনশেখৰৰ ঘৰটো দেখুৱাই দিলে, আৰু তাৰ পাছত সি গাড়ী চলাই গুচি যাবলৈ ধৰাত ৰামনাথে ক'লে, "হেৰা. তুমি— এতিয়াই আমাক এৰি গুচি যাবানে?"

"আৰুনো কি কৰিম?" গাৰোৱান-টোৱে ক'লে, "আপোনালোকক তেওঁৰ ঘৰটো দেখুৱাই দিবলৈ কৈছিল তেওঁ— দিলোঁৰেই নহয়?" এই বুলি কৈ সঁচা-সঁচিকৈ গুচি গ'ল।

তাৰ পাছত ৰামনাথে ধনশেখৰৰ ঘৰৰ দুৱাৰৰ কেৰেয়াত ধৰি খটখটোৱাত ধনশেখৰৰ ঘৈণীয়েক দুৱাৰ খুলি ওলাই আহিল ঘৰৰপৰা। কিন্তু ৰামনাথ বা সীতাক কোনো দিনেই দেখাও নাছিল বা সিহঁতহালৰ কথা শুনাও নাছিল ধনশেখৰৰ ঘৈণীয়েকে। ৰামনাথ নামৰ যে কোনোবা বন্ধু আছিল বা আছে ধনশেখৰৰ— কস্মিনকালেও তেনেকুৱা কিবা আনকি শুনাও নাই বুলি ক'লে তাই। গতিকে— ৰামনাথকহঁতক দুটা দিনৰ পাছত আহিবলৈ কৈ, তাই ৰামনাথৰ মুখৰ ওপৰতে ঘৰৰ দুৱাৰ বন্ধ কৰি দিলে।

এনে এক আপচু ঘটনা ঘটি যোৱাত দাৰুণ অপমান পাই, ৰামনাথৰ পৰিবাৰ সীতাই ক'লে, "আপোনাৰ সিজন বন্ধুৰ ঘৈণীয়েৰাৰ ৰূপও যে তেনেকুৱা নহ'ব তাৰ অৰ্থ নাই। গতিকে—আমি তালৈকো— অৰ্থাৎ সত্যানন্দৰ ঘৰলৈকো যোৱাৰ দৰকাৰ নাই। ক'ৰবাত পইচা খৰচ কৰি থকা-মেলা কৰিলেহে ভাল।"

পৰিবাৰৰ কথা ৰামনাথৰ মনত সঠিক যেনেই লাগিল। বিচাৰি-খোচাৰি সিহঁতহালে বুঢ়ী এজনীৰ ঘৰতে বাহ

ল'লেগৈ। ৰাতিৰ পৰতে কথাই কথাই বুঢ়ীয়ে ৰামনাথৰপৰা তাৰ আহুকালৰ কথাখিনি জানিলে আৰু তাৰ পাছত ক'লে, "সত্যানন্দ— আমাৰ ইয়াৰে। অল'মান আঁতৰত সিহঁতৰ ঘৰটো। তোমালোক—বোপা—মোৰ ইয়ত থকা বুলি শুনিলে সত্যামন্দই বৰ বেয়া পাব। তোমালোককো, মোকো। সত্যানন্দ অতি ভাল মানুহ। মই যেতিয়া কিবা বিপাডত পৰোঁ—সত্যানন্দই মোক উপযাচিয়েই সহায় কৰেহি। মই সত্যানন্দৰ পৰিবাৰ সুমনাক মাতি আনিছোঁগৈ, ৰ'বা।"

এই বুলি কৈ বুঢ়ী মানুহজনী ওলাল, আৰু কেইমুহূৰ্তমানৰ অন্তত পুনৰ ঘূৰি আহিল। বুঢ়ী মানুহজনীৰ লগত আছিল সত্যানন্দৰ পত্নী সুমনা।

সুমনাই ৰামনাথ আৰু সীতাক নমস্কাৰ কৰাৰ অন্তত ৰামনাথক ক'লে, "ককাইদেউ, আপোনালোক ঘৰলৈ ব'লক। আপোনালোকৰ কথা—মই! অহাৰেগৰাই কিমান যে শুনি আছোঁ। আপুনি ভাল চিত্ৰাংকণ কৰিব পাৰে, গীত গাব পাৰে—সকলো কথা জানো মই আপুনি বা আপোনালোক মোৰ অচিনাকি নহয়। ব'লক—ব'লক, ৰাতি ভালেখিনি হ'ল, আৰু পলম নকৰিব।" সুমনাই



ৰামনাথ আৰু সীতাক ক'বলৈ গ'লে খেদিহে লৈ গ'ল সিহঁতৰ ঘৰলৈ।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা! ধনশেখৰে মনত কোনো বেয়া ভাব পোষণ কৰি ৰামনাথক সিহঁতৰ ঘৰলৈ যাবলৈ কৈছিল বুলি ভবাৰ কোনো কাৰণ নেদেখোঁ। এই কথা ঠিকেই যে—ধনশেখৰৰ পত্নীয়ে আচিনাকি ৰামনাথ আৰু সীতাক থাকিবলৈ দিব নোৱাৰে! বিশেষকৈ—যিস্থলত ধনশেখৰ দুদিনমান ঘৰলৈ নাহিব বুলি তেওঁ জানিছিল। ধনশেখৰে দুটা দিনৰ পাছত ঘৰলৈ উভতি

আহিয়েই ঘটনাৰ কথা শুনি মানুহ এজনৰ হতুৱা ৰামনাথ আৰু সীতাক মাতি পঠাইছিল তেওঁৰ ঘৰলৈ যাবলৈ। কিন্তু ৰামনাথে ধনশেখৰৰ সেই উদাৰ আহ্বান গ্ৰহণ কৰা নাছিল। বন্ধু—বন্ধুৰেই। বন্ধু হিচাপেই সত্যানন্দও যি, ধনশেখৰো সি। একেই। নহয় জানো? তেনেস্থলত—ধনশেখৰৰ অকৃত্ৰিম আহ্বানলৈ উপেক্ষা প্ৰদৰ্শন কৰি ৰামনাথে ঘোৰ অন্যায় কৰা নাছিলনে? মোৰ প্ৰশ্নৰ সঠিক উত্তৰ জানিও ন'কলে, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰ ৰজা বিক্ৰমাদিত্যই ক'লে, "বন্ধু-বন্ধুৰেই, সেই কথা সাঁচেকাটে সঁচা। কিন্তু তথাপি কিছু কথা আছে। সকলো কবি যেনেকৈ সমান নহয়, সকলো বন্ধুও সমান নহয়।

সত্যানন্দই তেওঁৰ বন্ধু ৰামনাথৰ কথা পাহৰি যোৱা নাছিল, আৰু সেইহে তেওঁ তেওঁৰ পৰিবাৰ সুমনাৰ আগত ৰামনাথৰ কলাবিদ্যাৰ তথা গুণাৱলীৰ বিষয়ে কৈছিল। কিন্তু ধনশেখৰে তেওঁৰ ধনৰ দম্ভত বন্ধুত্ব তথা বন্ধুৰ কথা সমূলি পাহৰি আছিল বুলিহে তেওঁৰ পৰিবাৰে ৰামনাথৰ আনকি নামটোও শুনা নাছিল। বন্ধুৰে যদি বন্ধুতালৈ সন্মান নকৰে—তাক সঁচা বন্ধু বোলা নাযায়, শঠা-বন্ধুহে বুলিব লাগে। গতিকে—ৰামনাথে তেওঁৰ শঠা-বন্ধুৰ অট্টালিকালৈ নগৈ সচাঁ বন্ধুৰ পঁজালৈ গৈ সঠিক আচৰণেই কৰিছিল বুলি নিৰ্দ্বিধাই ক'ব পাৰি।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছজোপালৈ উভতি গ'ল আৰু শ'টো সেই তাহানিৰ আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডাল এটাত পুনৰ ওলোমাই থোৱা হ'ল। [কল্পিত



চান্দমামা
ক্রোড়পত্ৰ-৫৬

ভাৰতৰ পশু-পক্ষী ঃ

হাঁহি থকা হায়েনা

মেকুৰীয়ে মেও মেওকৈ মাতে। কুকুৰে ভো ভোকৈ ভুকে। কিন্তু মেকুৰী আৰু কুকুৰৰ মিশ্ৰিত ৰূপ হায়েনা নামৰ জন্তুটোৱে কি কৰে জানানে? হাঁহে। এই বিচিত্ৰ জন্তুটোৱে যেতিয়াই মাতিব—হাঃ হাঃকৈ সে সেকৈ খেক্ খেক্কৈ হাঁহিবহে। এইদৰে, হাঁহি হাঁহিয়েই সি তাৰ খাদ্যৰ চাৰিওফালে চকৰি-ঘূৰণে ঘূৰি ঘূৰি নাচিব থাকিব আৰু নাচি নাচিয়েই ৰংমনে তাৰ বিনা পৰিশ্ৰমৰ আহাৰ জুতি লগাই খাই থাকিব।

হায়েনাৰ ঠেংবোৰ হ'ল কুকুৰৰ দৰে আৰু তাৰ গা মেকুৰীৰ দৰে কোমল। তাৰ গা-ৰ নোমবোৰ মটীয়া বৰণৰ আৰু সেই মটীয়া বৰণৰ ওপৰত ক'লা ক'লা দাগ আছে। ই তাৰ আহাৰৰ কাৰণে নিজে কেতিয়াও কোনো জন্তু-জানোৱাৰ চিকাৰ নকৰে। আন জন্তুৱে চিকাৰ কৰি খাই যি এৰেহা এৰি থৈ যায়— সেই এৰেহা হাড়বোৰ চোবাই খায়েইহে হাঁহি থকা হায়েনাই তাৰ পেট পূৰায়। হায়েনা আচলতে হ'ল এক অতি ভয়াতুৰ জন্তু, কিন্তু কেতিয়াবা কেতিয়াবা, মানুহৰ পানী-কেঁচুৱাবোৰক ই হেনো ধৰি লৈ যায় বুলি কোৱা হয়।

সাহিত্যৰ দৰ্পণত আজিৰ ভাৰত

অসমৰ অৰণ্যানীৰ তথা পাহাৰুৰা মাটিৰ তলত আছে তৰল সোণ—পেট্ৰ'লিয়াম। এই পেট্ৰ'লিয়াম ভূগৰ্ভৰপৰা উত্তোলনৰ কাৰণে ভাৰতৰ বিভিন্ন ঠাইৰপৰা বনুৰা আহিছে, আহে অসমৰ 'ডিগবয়' চহৰখনলৈ। ধৰ্মত তেওঁলোক বেলগ বেলগ, কিন্তু কৰ্মত একেলগ হৈ থাকে।

এইদৰে, অসমলৈ অহা আৰু নিগাজী হৈ থকা চান্দ আভীৰও এজন বনুৰা। এবাৰ তাৰ ঘৈণীয়েক বেমাৰত পৰিল। ভাল চিকিৎসা আৰু পুষ্টিকৰ আহাৰৰ অভাৱত

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ 'প্ৰতিপদ'

চান্দ আভীৰৰ ঘৈণীয়েক মৰিল। মাকৰ মৰম-বঞ্চিত আভীৰৰ জীয়েক 'পন্নু' দেখাত চালে চকু ৰৈ যোৱাবিধৰ।

এইখন সৰু চহৰ ডিগবয়ত দিনবেশ্বৰ নামৰ এজন অফিচাৰ আছিল। তেওঁ হিন্দু, কিন্তু জাহানাৰা নামৰ মুছলমান গাভৰু এজনীক তেওঁ ভাল পাইছিল আৰু পাছত তাইক তেওঁ বিয়া কৰাব খুজিছিল। এই কাৰণে দিনবেশ্বৰে আন উপায় নাপাই ইছলাম ধৰ্ম গ্ৰহণ কৰিলে আৰু তাৰ পাছত গিয়াছউদ্দিন নাম লৈ জাহানাৰাক বিয়া কৰালে। কিন্তু বিয়াৰ পাছত জাহানাৰা বেমাৰত পৰিল আৰু তাইৰ মৃত্যু যে সন্নিকট, সেই কথা তাই উপলব্ধি কৰি তাইৰ ঘৰত কাম বন কৰি থকা 'পন্নু'ক ক'লে যে—তাই (জাহানাৰা) ঢুকুৱাৰ পাছত পন্নুৱে দিনবেশ্বৰ তথা গিয়াছউদ্দিনক বিয়া কৰায় যেন।

জাহানাৰাৰ মৃত্যুৰ পাছত পন্নুৰপৰা সকলো কথা অৱগত হৈ পন্নুৰ দেউতাকে গিয়াছউদ্দিনক ক'লে যে গিয়াছউদ্দিনে পুনৰ দিনবেশ্বৰ নোহোৱালৈকে এই বিয়া হ'ব নোৱাৰিব, গিয়াছউদ্দিনক ছোৱালী নিদিব। ইপিনে—চ্যাটাৰ্জি নামৰ যুৱক এজনে পন্নুক ভাল পায়। কিন্তু সংকোচৰ কাৰণে আনকি পন্নুকো ক'ব নোৱাৰে তেওঁ।

যি কি নহওক, এইবোৰ ঘটনা ঘটি থাকোঁতেই সেই ঠাইৰ পৰিস্থিতিত এক বিৰাট পৰিৱৰ্তন হ'ল। তাত বনুৰা-ধৰ্মঘট হ'ল। কিন্তু বৃটিছ অয়েল কম্প্যানিয়ে কঠোৰ হস্তেৰে বনুৰাবিলাকৰ মাজত কিছুমানক খেদি ধৰ্মঘটৰ অন্ত পেলাবলৈ চেষ্টা কৰিলে।

কিন্তু তথাপি বনুৰাহঁত এক হৈ যুঁজাত, বৃটিছে হিন্দু-মুছলমান ভেদ-ভাব জগাই তুলিবলৈ মৰ-চেষ্টা দিলে। মানুহ এটাক টকা খুৱাই হিন্দুহঁতৰ মন্দিৰত গৰুৰ মঙহ পেলাই থৈ অহাৰ দিহা কৰিলে। কিন্তু সি ধৰা পৰিল আৰু ফন্দীৰ কথা ফাদিল হ'ল।

কিন্তু তথাপি ইংৰাজ কম্প্যানি নদমিল। বনুৱা-ধৰ্মঘটৰ যেনেতেনে অন্ত পেলাবলৈ তেওঁলোকে দূৰ-দূৰণিৰপৰা নতুন নতুন বনুৱা লৈ অহা হ'ল। কিন্তু বনুৱাহঁতে নতুনকৈ অহাহঁতক তাত কাম কৰিবলৈ নিদিব। বনুৱাহঁতে নতুন বনুৱাবিলাকক বাধা দিলে, তেতিয়া—খঙতে একোনাই হৈ ইংৰাজ অফিছাৰহঁতে ধৰ্মঘটী বনুৱাহঁতলৈ গুলীয়ালে। গুলী-চালনাৰ ফলত বহুসংখ্যক বনুৱা—আৰু লগতে পন্নুৰ দেউতাক চান্দ আভীৰ, চ্যাটাৰ্জি, সদ্যহতে বিবাহিত গায়ক বৰুৱা আৰু হিন্দুহঁতৰ মন্দিৰত গো-মাংস পেলাই আহিবলৈ যোৱা সেই বুধন নামৰ মানুহটোও মৰিল। পাছত বুধনে নিজৰ ভুল বুজিব পাৰিছিল, আৰু বনুৱাহঁতৰ লগত এক হৈ ইংৰাজ কম্প্যানিৰ বিৰুদ্ধে কান্ধত কান্ধ মিলাই যুঁজিছিল।

ইংৰাজহঁতৰ মাজতো অৱশ্যে সৎ মানুহ একেবাৰে নথকা নাছিল—যিসকলে এই বনুৱা-ধৰ্মঘট সমৰ্থন কৰিছিল। এওঁলোকৰ মাজত মিছিজ-প্লেমিয়াছৰ নাম উল্লেখ-যোগ্য। এওঁলোকে বনুৱাসকলৰ দাবীলৈ সক্ৰিয় সমৰ্থন জনাইছিল।

“এই লড়াইৰ অন্ত পৰা নাই, আগলৈ বলিব ধুমাৰ্জয় ধুমুহা।” এই সাৱধান-বাণীৰে উপন্যাসখনৰ অন্ত পৰিছে।

অসমৰ অগ্ৰগণ্য সাহিত্যিক, জ্ঞানপীঠ পুৰস্কাৰ-বিজয়ী বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য-ৰচিত সুবিখ্যাত উপন্যাস ‘প্ৰতিপদ’ৰ এয়ে হ'ল চমু কাহিনীভাগ। এইখন উপন্যাস ১৯৩৯ চনত ৰচিত হৈছিল বুলি কোৱা হৈছে। ঘটনা আৰু চৰিত্ৰ-চিত্ৰণ অতি স্বাভাৱিক

আমি জানোনে?

১. মহীশূৰৰ ছুলতান টিপুৰ ৰাজধানীৰ নাম কি আছিল ?
২. কোনখন দেশৰ পতাকাত গৰুড় আৰু সৰ্প আছে ?
৩. ধঁপাত ইংল্যাণ্ডলৈ কোনে লৈ আহিছিল ?
৪. ১৯৩৯ চনৰ তিনি ছেপটেম্বৰৰ দিনা এটা উল্লেখযোগ্য ঘটনা ঘটিছিল। ঘটনাটো কি আছিল ?
৫. তেওঁৰ কোন ৰচনাৰ বাবে ৰবীন্দ্ৰনাথে ন'বেল বঁটা পাইছিল ?
৬. 'ডিনামাইট' কোনে আৱিষ্কাৰ কৰিছিল ?
৭. কোনখন দেশত অধিকসংখ্যক ইউক্যালিপটাছ বৃক্ষ আছে ?
৮. কাক 'সৱৰমতীৰ সাধু' বুলি কোৱা হয় ?
৯. সতী যোৱা আৰু বাল্য-বিবাহ প্ৰথাৰ বিৰুদ্ধে সংগ্ৰাম কৰা ভাৰতীয় সমাজ-সংস্কাৰক কোন ?
১০. পোন প্ৰথমে মহাকাশলৈ গমন কৰাজনৰ নাম কি ?
১১. সূৰ্য্যমণ্ডলত আটাইতকৈ ডাঙৰ গ্ৰহ কোনটো ?
১২. এক ফুট দীঘল জিভা থকা সত্ত্বেও কোন প্ৰাণীয়ে মাতিব নোৱাৰে ?
১৩. শান্তিৰ বাবে ন'বেল বঁটা বিজয়ীসকলৰ মাজত বয়সত সৰাতোকৈ সৰু কোন ?
১৪. আৰ্য্য সমাজৰ সংস্থাপক কোন ?
১৫. কোলাৰৰ স্বৰ্ণখনি ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত ?
১৬. 'স্পিকাৰে' লোকসভা মুলতবী কৰিব পাৰেনে ? যদি নোৱাৰে, কোনে মুলতবী কৰিব পাৰে ?
১৭. অত্যাচাৰী হোৱাৰ আগতে তেওঁ আছিল শিক্ষক আৰু আলোচনীৰ সম্পাদক। তেওঁ কোন ?
১৮. শান্তিৰ বাবে ন'বেল বঁটা সৰ্বপ্ৰথমে কাক দিয়া হৈছিল ?
১৯. খৃষ্টানসকলৰ ধৰ্মগ্ৰন্থ হ'ল বাইব্ল (বাইবেল), শিখসকলৰ ধৰ্মগ্ৰন্থৰ নাম ?
২০. কোনবিধ গছৰ ছালেৰে ম্যালেৰিয়া বেমাৰৰ ঔষধ কুইনাইন বনোৱা হয় ?

উত্তৰ

১. শ্ৰীৰংগপট্টন।
২. মেক্সিকো।
৩. স্যাৰ ওৱাল্টাৰ ৰ্যালি (১৫৫২—১৬১৮) নামৰ এগৰাকী ইংৰাজ।
৪. ইংল্যাণ্ডে জাৰ্মানিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা।
৫. গীতাঞ্জলি।
৬. আলফ্ৰেড ন'বেল (১৮৬৭)।
৭. অষ্ট্ৰেলিয়াত।
৮. মহাত্মা গান্ধী।
৯. ৰাজা ৰামমোহন ৰায়।
১০. ইউৰি গাগাৰিন।
১১. বৃহস্পতি (১৪২৮০০ কি. মি. ব্যাস)।
১২. জিৰাফ।
১৩. মাৰ্টিন লুথাৰ কিং জুনিয়াৰ।
১৪. স্বামী দয়ানন্দ সৰস্বতী।
১৫. কৰ্ণাটক।
১৬. নহয়, নোৱাৰে। ৰাষ্ট্ৰপতিয়ে।
১৭. ইতালিদেশৰ মুছোলিনি।
১৮. জঁ্যা হেনৰি ডুনাণ্ট। এওঁ ১৯০১ চনত ৰেডক্ৰছ স্থাপন কৰিছিল।
১৯. গুৰু গ্ৰন্থছাহিব।
২০. ছিনকোনা গছ।

ধন আৰু মন

সাধু-সন্তসকলৰ কথা শুনি চন্দ্ৰনাথে সদায় ভাল পাইছিল. সাধু-সন্তসকলৰ কৃপা লাভ কৰিব পাৰিলে যে জীৱনকাল শান্তিৰে কটাব পাৰি. চন্দ্ৰনাথৰ মনত এই বিশ্বাস আছিল অটুট।

এদিন এজন সাধু চন্দ্ৰনাথৰ ঘৰলৈ আহিল। চন্দ্ৰনাথে সাধুজনক প্ৰণাম কৰি সাধুজনৰ ভৰি দুখন পানীৰে ধুই দিলে. আৰু তাৰ পাছত আথেবেথে বহিবলৈ দিলে। সাধুজনে চন্দ্ৰনাথৰ সাধু-প্ৰীতিৰ পৰিচয় পাই তুষ্ট হৈ চন্দ্ৰনাথক ক'লে, "তোমাৰ প্ৰতি মই অতি প্ৰসন্ন হৈছোঁ। তুমি মোৰপৰা যদি কিবা বাঞ্ছা কৰিছা—"

চন্দ্ৰনাথে অতি নম্ৰতাৰে ক'লে, "হে প্ৰভু! মই বৰ অশান্তিৰে জীৱন কটাইছোঁ। মোৰ নিজৰ বিশেষ কোনো ইচ্ছা নাই, অসন্তুষ্টি নাই। আপোনালোকৰ আশীৰ্বাদত মোৰ ধন-ধানৰো নাটনি নাই। কিন্তু মোৰ পৰিবাৰ চন্দ্ৰমুখী—তথাপি সদায় অসন্তুষ্ট। সদায় মুখখন ওন্দোলায়েই থাকে তাইৰ. ইয়াৰ কাৰণ যে কি—বহু ভাবিও মই তাৰ উৰাদিহ উলিয়াব পৰা নাই যদি তাইৰ মনৰ মলি গুচাবলৈ কিবা—"

সাধুজনে চন্দ্ৰমুখীক মাতি আনিবলৈ ক'লে চন্দ্ৰনাথক। চন্দ্ৰমুখী আহিল, সাধুজনক প্ৰণাম কৰিলে. আৰু সাধুৰ সকলো প্ৰশ্নৰ উত্তৰো তাই দিলে।

চন্দ্ৰমুখীয়ে সাধুক ক'লে যে—তাইৰ গিৰিয়েক মানুহঅন অত্যন্ত ভাল মানুহ. তাইৰ যেইকোনো ইচ্ছা গিৰিয়েকে পূৰণ নকৰাকৈ নাথাকে, ঘৰুৱা কাম-বনো তাই

ৰমলা খাটনিয়াৰ

ভালেমান, সদায় খাবলৈকো নোজোৰে, তথাপি সিহঁতৰ ঘৰখনত কিমান যে আনন্দ হৈ-চৈ! যেনিবা—সিহঁতৰ ঘৰত একোৰেই অভাৱ নাই। --মোৰ ধাৰণা—এয়া সিহঁতৰ আগৰ জনমৰ পুণ্যৰ ফল।"

সাধুজনে চন্দ্ৰমুখীক ক'লে, "যিজনে কেৱল নিজৰ কাৰণে জীয়াই থাকে, সেইজনৰ আত্মসন্তুষ্টি কেতিয়াও নহ'ব। কান্তাই প্ৰতিফলৰ আশা নকৰাকৈয়েই দিনে-নিশাই ঘৰখনৰ কাৰণে শ্ৰম কৰে তাতেই কান্তাৰ আনন্দ। তুমিও যদি তেনেকৈ শ্ৰম কৰা — তোমাৰ মনৰ অসন্তোষও গুচিব, আনন্দও পাবা।"

নিজে কৰিবলগা নহয়, গিৰিয়েকে ঘৰুৱা কাম-বন কৰাৰ বাবে চাকৰ-চাকৰণী ৰাখিছে, তাই নিজে কিতাপ পঢ়ি আৰু গান শুনি সময় কটায়—ইত্যাদি।

সাধুজনে তাইক সুধিলে, "তথাপি তোমাৰ মনত কিহলৈনো অসন্তোষ—?"

"সেই কথা মই নিজেও বুজি নাপাওঁ। মোৰ তো নাই বোলা একো নাই, চব আছে, তথাপি কিব নাই যেন লাগে। অথচ—আমাৰ ঘৰৰ কাষতে খাপৰি ইটাৰ টোকোৰা পঁজা এটাত টোকোনাৰো টোকোনা বীৰভদ্ৰ আৰু কান্তা নামৰ মানুহ এহাল থাকে, সিহঁতহালৰ ল'ৰা-ছোৱালীও

কিন্তু সাধুৰ কথাত চন্দ্ৰমুখী অলপো তুষ্ট নহ'ল। তাই নিজেই যদি শ্ৰম কৰিব লাগে, চাকৰ-নাকৰহঁত আছোনো কিহলৈ?

ঠিক তেতিয়াই লখিমী তালৈ আহিল। লখিমী হ'ল এজনী ঘৰুৱা কাম কৰা মানুহ। কিন্তু গাঁৱৰ টোকোনাৰো টোকোনা বীৰভদ্ৰ-কান্তাহঁতৰ ঘৰতহে তাই কাম পালে, আন ক'তো তাই কাম নাপালে। চন্দ্ৰমুখীয়ে লখিমীক কামত লোৱাৰ আশ্বাস-আশা কেইবাবাৰো দিছিল। কিন্তু কামত লোৱা নাছিল।

আজি চন্দ্ৰমুখীয়ে লখিমীজনীক ক'লে, "বোলে — আমাৰ চাকৰটোৱেই ঘৰত

কাম বিচাৰি নাপায়, তোমাকনো কি কাম দিম মই ?"

সাধুৱে লখিমীক ক'লে, "বীৰভদ্ৰ বোলে বৰ দুখীয়া, তথাপি তেওঁলোকৰ ঘৰত তেমাক কামত লৈছে যে—কথাটো অতি আচৰিত যেন লাগিছে দেখোন !"

লখিমীয়ে সাধুক ক'লে, "তেওঁলোক ধনৰ দুখীয়া হয়, কিন্তু মনৰ দুখীয়া নহয়। মই ক'তো কাম-বন নোপোৱা বুলি জানি তেওঁলোকে মোকো তেওঁলোকৰ পৰিয়ালৰে এজনী হিচাপে লৈ মোক সহায় কৰিছে। কথা ইমানেই।"

দুখীয়া বীৰভদ্ৰই তথা বীৰভদ্ৰৰ পত্নী কান্তাই—সিহঁতৰ নিজৰ ইমান অভাব বা দাৰিদ্ৰ্য থকা সত্বেও কিয় এইজনী দুখুনী লখিমীক ৰাখিলে—সেই কথা খৰচি মাৰি জানিবলৈ সাধু বীৰভদ্ৰৰ ঘৰলৈ গ'ল আৰু তাৰ নানান ধৰণে সোধ-পোছ কৰি প্ৰকৃত বিষয় কি—তাৰ ৰেখ কৰিব পাৰিলে। তাৰ পাছত তেওঁ চন্দ্ৰমুখীৰ ঘৰৰ প্ৰকৃত অৱস্থাৰো বুজ ল'লে।

কান্তাইঁতৰ ঘৰৰপৰা ঘূৰি অহাৰ পাছত চন্দ্ৰমুখীয়ে সাধুজনক সুধিলে, "স্বামীজী, আমাৰ দুয়োখন পৰিয়ালৰ মাজত কিবা পাৰ্থক্য দেখিলেনে ?"

সাধুজনে ক'লে, "কান্তাইঁতৰ ঘৰত কাম-বনৰ পৰিমাণ তোমালোকতকৈ অধিক। কিন্তু কান্তাই লখিমীক মাত্ৰ সেইখিনি কৰিবলৈ কয়, যিখিনি তাই নকৰিলেই নহয়। বাকীখিনি কাম-বন কান্তাই নিজেই কৰে। কান্তাইঁতে খোৱা-বোৱা কৰা কাঁহী-বাটি সিহঁতে নিজেই চাফা কৰে, কাম কৰা মানুহৰ মুখলৈ চাই বৈ নথাকে। আৰু—লখিমীয়ে তাত যে কাম কৰে—সেই কথা কান্তাই লখিমীক একেবাৰে ভাবিবলৈ নিদিয়ে — তায়ো ঘৰখনৰে এজনী — এনেকুৱা ব্যৱহাৰেই কৰে তাইৰ সৈতে। কান্তাৰ কথা হ'ল— 'চাকৰণী বুলি কোনোবাজনীৰ গাত লিখা

নাথাকে, গতিকে আমাৰ দৰে তায়ো ঘৰৰ এজনী বুলি ভাবিবলৈ আমি টান নাপাওঁ। এইদৰে, কান্তাই গোটেই দিনটো ইকাম সিকাম সহস্ৰ কাম কৰে, সন্তোষ-অসন্তোষৰ কথা ভাবিবলৈকো তাই আজৰি নাপায় হেনো।"

সাধুৰ কথা শুনি চন্দ্ৰমুখীয়ে ভুক কোঁচাই ক'লে, "ময়ো আমাৰ চাকৰটোৰ লগে লগে কাম নকৰা নহওঁ তো— ।"

"কথাটো তুমি কিজানি এতিয়াও ঠিকমতে বুজা নাই। কান্তাই তাইৰ ঘৰত কৰিবলগা কামখিনিহে লখিমীক কৰিবলৈ কয়, আৰু তুমি নকৰিবলগীয়াখিনিও কৰিবলৈ কোৱা। তুমি কাম কৰা মানুহক তোমাৰ চাকৰ বুলি ভাবা আৰু কোৱা, আৰু কান্তাইতে কামকৰা মানুহক পৰিয়ালেৰে সহায়কাৰী বুলি ভাবে। অন্তৰ পৰিষ্কৃত নহ'লে অসন্তোষ গুচিব কেনেকৈ?" এতিয়া তুমিয়েই কোৱা—দুয়োখন ঘৰৰ মাজত কিবা পাৰ্থক্য আছেনে?" সাধুৱে সুধিলে।

তেতিয়াহে চন্দ্ৰমুখীয়ে নিজৰ ভুল কিঞ্চিত পৰিমাণে হ'লেও উপলব্ধি কৰিব পাৰিলে। চন্দ্ৰমুখীয়ে কওঁ-নকওঁকৈ কিবা ক'বলৈ মুখ মেলোঁতেই সাধুজনে কৈ উঠিল, "শুনা, তোমাৰ মনৰ অসন্তুষ্টিৰ ঘাই কাৰণ হ'ল—ঈৰ্ষা। তুমি মনৰপৰা ঈৰ্ষাৰ ভাব গুচাব পাৰা যদি—মনৰ তুষ্টি ঘূৰাই পাবা। কান্তাক তোমাৰ প্ৰতিযোগী বুলি নাভাবি বন্ধু বুলি ভাবা, চাবা, সকলো ঠিক হৈ যাব। মই বৰ ভাব এৰা, চাবা, জগতৰ সকলো তোমাৰ আপোন। তাতেই আছে মনৰ প্ৰশান্তিৰ—সন্তুষ্টিৰ প্ৰস্ৰৱণ। হৃদয়-শুদ্ধ কৰা, সুখ-শান্তি দেখা পাবা।" এই বুলি কৈয়েই সাধু গুচি গ'ল।

পাছত চন্দ্ৰমুখীয়ে সেইজন সাধুৰ সত্য উপদেশ মতে কাম কৰি জীৱনত সুখৰ মুখ দেখা পোৱা হৈছিল।

চান্দমামাৰ সম্বাদ

যি মূলা বাঢ়িব...

ওৱাশ্বিংটনৰ ওচৰত ফেয়াৰফ্যাক্স কাউন্টিত এঘাৰ বছৰীয়া ল'ৰা অখিল বস্তোগী ষষ্ঠ শ্ৰেণীত পঢ়ে। অখিলৰ মাক কাম কৰে ব্যাংক এটাত। এদিন এক দুৰ্ঘটনাত তেওঁৰ সোঁহাতত বেয়াকৈ আঘাত লাগিল আৰু তাৰ পাছৰেপৰাই তেওঁ তেওঁৰ সোঁহাতখনেৰে গাখীৰৰ পাত্ৰৰপৰা পিয়লাত ঠিকমতে গাখীৰ বা পানীও বাকিব নোৱৰা হ'ল। মাকৰ কষ্ট দেখি অখিলে প্লাষ্টিকেৰে এবিধ নলী সাজি উলিয়ালে, যিটাল নলীৰ সহায়ত এটুপি পানী বা গাখীৰও তলত নপৰাকৈ পোনেপোনেই পিয়লা বা আন পাত্ৰতো সহজেই বাকিব পাৰি। তাৰ পাছত, অখিলহঁতৰ এগৰাকী পাৰিবাৰিক বন্ধুৱে অখিলৰ এই আৱিষ্কাৰৰ 'পেটেন্ট' ল'বলৈ পৰামৰ্শ দিলে আৰু আমেৰিকাৰ সংস্থা এটাৰ্য় সেই পেটেন্টৰ আবেদন মঞ্জুৰ কৰিলে। এইদৰে, অখিলে তাৰ এই আৱিষ্কাৰৰ বাবে নিচেই সৰুতেই আমেৰিকাত পেটেন্ট পালে। সি যেতিয়া আৰু বাঢ়িব, তেতিয়া কি হ'ব—তাৰ ফলাফললৈ আমি আশা পালি ৰৈ থাকিম।

আগত মালী বুঢ়া পাছত খুৰা খুৰা!

ইংৰাজি শব্দাৱলীৰে এবিধ খেলাৰ সৃষ্টি কৰা হৈছে, এই শব্দৰ খেলাক ইংৰাজিত 'স্কেব্‌ল্' বুলি কোৱা হয়। ন-শিকাৰু শিশুহঁতে এই শব্দ-খেল খেলি বৰ ভাল পায় আৰু এইদৰে শব্দৰ খেল-ধেমালিৰ যোগেদি সিহঁতৰ শব্দৰ জ্ঞানো যথেষ্ট বৃদ্ধি পায়। আলফ্ৰেড বাট্‌ছ্‌ নামৰ বাস্তুবিদ অৰ্থাৎ ঘৰ-দুৱাৰ-নিৰ্মাতা এজনে এই শব্দ-খেলৰ এক সঠিক তথা সুসংবদ্ধ ৰূপ দিছিল। তেওঁ ৯৩ বছৰ বয়সত যোৱা এপ্ৰিল মাহত ঢুকাল। ১৯৩০ চনত তেওঁ শব্দৰ খেল এই 'স্কেব্‌ল্'-খেল আৱিষ্কাৰ কৰি প্ৰকাশক-সংস্থাবিলাকৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছিল তেওঁৰ এই 'স্কেব্‌ল্' প্ৰকাশ কৰিবলৈ। কিন্তু কোনেও তেতিয়া নিকিনিলে বা প্ৰকাশো নকৰিলে। বিছ বছৰৰ পাছত এটি নিচেই অখ্যাতনামা প্ৰকাশন-সংস্থাই আলফ্ৰেড-আৱিষ্কৃত 'স্কেব্‌ল্' প্ৰকাশ কৰিলে আৰু প্ৰকাশ হোৱামাত্ৰেই 'স্কেব্‌ল্' শিশুহঁতৰ মাজত, আনকি ডাঙৰহঁতৰ মাজতো বিপুল জনপ্ৰিয়তা লাভ কৰিলে। তেতিয়া— আলফ্ৰেডে তেওঁৰ 'স্কেব্‌ল্' লৈ প্ৰকাশৰ কাৰণে কাষ চপা প্ৰথমজন প্ৰকাশকে অতি ধুনীয়াকৈ সেই 'স্কেব্‌ল্' প্ৰকাশ কৰি কৌটি সংখ্যাত বেচিলে।



বহুৰা বুহলুল

তেতিয়া বাগদাদৰ ছুলতান তথা খলীফা আছিল হাৰুণ-অল্-ৰছিদ। তেওঁৰ দৰবাৰত আছিল বুহলুল নামৰ এজন বিদূষক। বুহলুল কেৱল ইন্দুৰাৰ পৰা বহুৰালি কৰা সাধাৰণ বিদূষকেই নাছিল, বিহুৰা বুহলুল আছিল জ্ঞানী মানুহ।

এদিন খলীফাই বুহলুলক সুধিলে, "হেৰা বুহলুল, বিশেষ কথা এটাৰ উদিশ দিব পাৰিবানে?"

বুহলুলে ক'লে, "কওক খোদাবন্দ!"

আমাৰ বোগদাদত কিমান মূৰ্খ আছে ক'ব পাৰিবানে?" খলীফাই সুধিলে।

"কিয় নোৱাৰিম, হুজুৰ খোদাবন্দ! কথাটো জানোৰেই মই।" বুহলুলে ক'লে।

"বেছ, তেনেহ'লে বোগদাদৰ মূৰ্খ-বিলাকৰ সূচী এখন যুগুত কৰা। কিন্তু—আনকি এটা ভুলো নহয় যেন চাবা।" খলীফাই বুহলুলক ক'লে।

খলীফাৰ এই কথাত বুহলুলে হো হোৱাই হাঁহি উঠি ক'লে, "ভুল কিয় হ'ব লাগিছে, হুজুৰ! আমাৰ বোগদাদৰ জ্ঞানীখিনিৰ তালিকা এখনহে যুগুত কৰিম মই। সেই তালিকাত বৰ বেছি বিছজন-মানৰ নামহে থাকিব। সেইখন তালিকাত যিহঁতৰ নাম নাথাকিব—সিহঁতেই হ'ল বোগদাদৰ মূৰ্খ। জ্ঞানীয়ে কৈ দিব মূৰ্খ কিমান। গতিকে — বোগদাদৰ মূৰ্খৰ সংখ্যাত ভুল হোৱাৰ সম্ভাৱনা নায়েই।"

*

এদিন যেতিয়া খলীফা দৰবাৰত তথা তেওঁৰ মছনদত অৰ্থাৎ সিংহাসনত নাছিল, বহুৰা বুহলুল ক্ষন্তেকৰ বাবে খলীফাৰ

মছনদত বহিলগৈ। এই দৃশ্য দেখি দৰবাৰৰ ৰাজকৰ্মচাৰীহঁতে বহুৰা বুহলুলক ধুম-পিটনে পিটি ভৈয়াম কৰিলে।

তাৰ পাছত খলীফা দৰবাৰলৈ আহিল। বুহলুল তেতিয়া দৰবাৰৰ মজিয়াত বাগৰি বাগৰি চেঙালুটি পাৰিছে আৰু চিঞৰি চিঞৰি কান্দিছে। খলীফাই বুহলুলক কি হৈছে বুলি সুধিলে আৰু দৰব-পাতি যি আছে আনিবলৈ হুকুম দিলে।

তেতিয়া বহুৰা বুহলুলে সেহাই সেহাই খলীফাক ক'লে, "হুজুৰ খুদাবন্দ! আপোনাৰ ভুলহে হৈছে। মই পিটন খাই আহত হোৱাৰ বাবে কান্দি থকা নাই, মই এই কথাষাৰ ভাবিহে কান্দি আছোঁ আৰু অস্থিৰ হৈ পৰিছোঁ যে— মই আপোনাৰ অনুপস্থিতিৰ সুবিধা লৈ ক্ষন্তেকমাত্ৰ যি মছনদত বহি যি ধুম-পিটন খালোঁ—যি দুৰাৱস্থাত পৰিলোঁ, আপুনি দিনৰ পাছত দিন বছৰৰ পাছত বছৰ ধৰি সেই মছনদত বহি—কিমান যে কি পিটন খাইছে দুৰাৱস্থাত পৰিছে তাৰ বোধ-কৰোঁ লেখ-জোখেই নাই! ইমান মাৰ খায়ো যে খলীফা হৈ আছে, কেনেকৈ তাকেহে মই বুজানাই। আপোনাৰ দুৰাৱস্থাৰ কথা ভাবিহে মই চেঙালুটি পাৰি আছোঁ!"

*

এবাৰ খলীফাই এখন সৰু ৰাজ্য জয় কৰাৰ অন্তত নিজৰ ৰাজধানীলৈ ওভতোঁতে

বাটত বৰ তৃষ্ণাৰ্ত হৈ পৰিল। তেওঁ বুহলুলক ক'লে, "বুহলুল, পিয়াহত মোৰ অণ্ঠ-কণ্ঠ শুকাই গৈছে। শীঘ্ৰে য'ৰেপৰাই নহওক খোৱা-পানী বিচাৰি লৈ আহা। নহ'লে মই মৰিলোঁ।"

বুহলুলে বহু চেষ্টাৰে এলোটা পানী যোগাৰ কৰি আনিলে আৰু খলীফাই খৰধৰকৈ পানীখিনি পি-খাবলৈ ধৰোঁতেই বুহলুলে খলীফাক ক'লে, "হুজুৰ মেহেৰবান! এই পানীটোপা খোৱাৰ আগতে মোৰ এটা প্ৰশ্নৰ উত্তৰ দিব ল'ব লাগে। — এই পানীটোপা যদি মই যোগাৰ নকৰিলোহেঁতেন, আপুনি হুজুৰ এই টোপা পানী আন কাৰোবাৰপৰা খাবলৈ পালে তাক কি উপহাৰ-পুৰস্কাৰ দিলেহেঁতেন—ক'বনে?"

"আনকি আধা ৰাজত্ব দিলোহেঁতেন।" এই বুলি কৈয়েই খলীফাই পানী এলোটা কোঁত কোঁতকৈ পি-খালে।

"হুজুৰ মেহেৰবান, মোৰ আন এটি প্ৰশ্ন। এই পানীখিনি খাই আপুনি পেচাব কৰিবই। কিন্তু ধৰক কিবা কাৰণত যদি সেই পেচাব নোলায়, পেচাব উলিয়াবৰ কাৰণে কিমান কি দিলেহেঁতেন?" বুহলুলে আকৌ দিলদৰিয়া খলীফাক সুধিলে।

"আধা ৰাজত্ব!"

বুজদিল খলীফাই এইবাৰো আগৰবাৰৰ দৰে একেই কথা ক'লে।

"তেনেহ'লে—পিয়াহ পলুৱাৰ কাৰণে আধা আৰু পেচাবৰ কাৰণেও আধা ৰাজত্ব! তেনেহ'লেনো ইমান কষ্ট কৰি, ইমান দুখৰ পাচি মূৰত লৈ তেনেহেন পেচাবৰলেখীয়া ৰাজত্ব কিয় লাগিছে হুজুৰক?"

বহুৰা বহলুলৰ কথা শুনি খলীফাৰ মুখৰ মাত হৰিল। তেওঁ বহুৰা বুহলুলৰ পিনে এবাৰ চায়েই তলমূৰ হৈ থাকিল।

বীৰ হনুমান

৩৭

এইদৰে, শ্ৰীৰামচন্দ্ৰই সীতাদেৱীৰ সৈতে কটুতাৰে বাৰ্তালাপকৰা শুনি তাত উপস্থিতি থকাখিনি বিচলিত তথা স্তম্ভিত হ'ল। অপমান-জৰ্জৰ হৈ তলমূৰ হৈ সীতা নিৰৱে-নিমাতে দণ্ডায়মান হৈ থাকিল আৰু তেওঁৰ দুচকুৰপৰা লোতক বাগৰি আহিল।

অপমানিত সীতাদেৱীয়ে ৰামচন্দ্ৰক ক'লে, "হে বীৰ! আপুনি এনেবোৰ বাক্য কিয় মোৰ প্ৰতি প্ৰয়োগ কৰিছে? যিবোৰত সত্যতাৰ লেশমানো নাই, তেনেবোৰ কথা মোৰ পক্ষে শুনি থকাও নিস্প্ৰয়োজন। আপুনি যেনেধৰণে ভাবিছে, ঘটনা তদ্ৰূপ হোৱা নাছিল। মই পতিব্ৰতা আৰু নিষ্কলংক। ইচ্ছা হ'লে আপুনি মোৰ পাতিব্ৰত্যৰ পৰীক্ষা ল'ব পাৰে। নাৰীকুলত অসৎ নাৰী নাই বুলি নকওঁ, কিন্তু তাৰ অৰ্থ এয়া নহয় যে নাৰী মাত্ৰেই অসতী।" মোক যদি আপুনি ত্যাগই কৰিব, তেনেহ'লে মোৰ সা-সন্ধান উলিয়াবলৈ বীৰ হনুমানক কিয় লংকালৈ প্ৰেৰণ কৰিছিল? আৰু—আপনাৰ মনত যদি মোৰ বিৰুদ্ধে ইমানেই সন্দেহ সঞ্চিত আছিল, মোক ত্যাগ কৰাৰ বাসনা আছিল, সেই কথা হনুমানৰ মুখে কৈ পাঠোৱাহেঁতেন মোক উদ্ধাৰৰ কাৰণে আপুনি যুদ্ধ কৰিবলগীয়া বা ইমান দূৰ-দেশলৈ আহিবলগা নহ'লহেঁতেন।"

তাৰ পাছত সীতাদেৱীয়ে তেওঁৰ দেৱৰ

'অযোধ্যালৈ প্ৰত্যাবৰ্তন'

মুখ-চকুত প্ৰকাশিত। গতিকে—ৰামচন্দ্ৰৰপৰা কোনো বাধা নাপাই, লক্ষ্মণে সীতাদেৱীৰ অন্তৰৰ ইচ্ছা পৰিপূৰণাৰ্থে চিতা সজ্জিত কৰাৰ বন্দৰস্ত কৰিলে।

সীতাদেৱীয়ে শ্ৰীৰামচন্দ্ৰক পৰিক্ৰমা কৰি জ্বলন্ত চিতাৰ ওচৰ চাপিল আৰু জ্বলি থকা চিতাৰ নিচেই কাষত হাতযোৰ কৰি দণ্ডায়মান হৈ প্ৰাৰ্থনাৰ অন্তত কৈ থাকিল, "হে অগ্নিদেৱ! মোৰ হৃদয়ত মোৰ পতিৰ বাহিৰে অন্য কোনো পুৰুষৰ স্থান নাছিল, বা আজিও নাই। যদি মোৰ এই কথন সত্য হয়, হে অগ্নিদেৱ, মোক ৰক্ষা কৰিবা। কিন্তু যদি মোত এধানিমানো কলংক আছে, হে অগ্নিদেৱ! মোক তুমি গ্ৰাস কৰা!" এইবুলি কৈ, লেই জ্বলন্ত চিতাৰ জীৱন্ত অগ্নিৰ মাজলৈ সীতাদেৱীয়ে প্ৰবেশ কৰিলে।

এই দৃশ্য দেখি তাত উপস্থিত থকা-সকল হাহাকাৰ কৰি উঠিল। শ্ৰীৰামচন্দ্ৰৰো দুচকুৰপৰা অশ্ৰুধাৰ নামি আহিল, কিন্তু তথাপি তেওঁ মৌন হৈ থাকিল।

কিন্তু আন এক অভাৱিত দৃশ্যই সকলোকে চমকিত কৰি তুলিলে। সীতাক কোলাত লৈ স্বয়ং অগ্নিদেৱ মনুষ্যমূৰ্তি ধৰি জ্বলন্ত চিতাৰপৰা ওলাই আহিল।

মনুষ্যৰূপী অগ্নি-দেৱতাই ৰামচন্দ্ৰক

লক্ষ্মণলৈ ঘূৰি চাই ক'লে, "হে লক্ষ্মণ! মোৰ এই অপাৰ দুঃখ দূৰ কৰাৰ মাত্ৰ এটাহে উপায় দেখা পাইছোঁ, সেই উপায়টো হ'ল — চিতা। তুমি মোৰ কাৰণে চিতা সজোৱা। মই জ্বলন্ত চিতাজুইত প্ৰাণ বিসৰ্জিম। এনেহেন অপমানকৰ জীৱন ধাৰণ কৰাত মোৰ আৰু মন নাই। একমাত্ৰ অগ্নিদেৱতাইহে এনে অপমানৰপৰা ৰক্ষা কৰিব পাৰে।"

বেদনাৰ্ত লক্ষ্মণে জ্যেষ্ঠভ্ৰাতা ৰামচন্দ্ৰলৈ ক্ষুব্ধ দৃষ্টিৰে চালে। ৰামচন্দ্ৰ অবিচলিত। সীতাৰ অগ্নি-প্ৰবেশত যে ৰামচন্দ্ৰৰ কোনো আপত্তি নাই—সেই কথা ৰামচন্দ্ৰৰ নিৰ্লিপ্ত

ক'লে, "হে ৰামচন্দ্ৰ! নিজ পত্নী সীতাক এই মুহূৰ্তৰেপৰা পূৰ্ণ স্বীকৃতি দিয়া। সীতা হ'ল পাপমুক্তা নাৰী। তোমাৰ বাহিৰে কোনো পুৰুষৰ সামান্যমান চিন্তাও সীতাৰ মাজত নাই।"

অগ্নি-দেৱতাৰ কথাত ৰামচন্দ্ৰ যথেষ্ট সন্তুষ্ট হ'ল। যিজনীক জ্বলন্ত-জীৱন্ত অগ্নিয়েও স্পৰ্শ নকৰিলে, তেনেহেন অপাপবিদ্ধা সীতাক পৰিত্যাগ কৰাৰ কথাত তেওঁ অতিপাত চিন্তাযুক্ত হৈ উঠিল।

ৰামচন্দ্ৰই অগ্নি-দেৱতাক ক'লে, "সীতা যে অপাপবিদ্ধা, ময়ো নজনা নহওঁ। কিন্তু ইমান দীৰ্ঘ কাললৈকে ৰাক্ষসৰাজ ৰাৱণৰ অন্তেষপুৰত থকাৰ ফলতেহে জটিলতাৰ সৃষ্টি হৈছে। মই যদি এতিয়া সীতাক পূৰ্ববৎ গ্ৰহণ কৰোঁ, জগতে মোক নিন্দিব, মোক অধমী বুলি ক'ব। যি কি নহওক—এতিয়া তিনিও লোকে প্ৰত্যক্ষ কৰিলে যে—সীতা দেহে-মনে নিষ্পাপ-নিষ্কলংক। কিন্তু সীতাৰ অন্তৰত মোৰ স্থান যে ক'ত—সেই বিষয়ে মই নিঃসন্দেহ হ'ব পৰা নাই। যদিও—হে অগ্নিদেৱ! আপোনাৰ আদেশ মই পালন কৰিম।"

ঠিক তেতিয়াই স্বৰ্গৰপৰা দশৰথ দিব্য-বিমানত উঠি মৰ্ত্যলৈ নামি আহিল আৰু ৰাম-লক্ষ্মণে পৰলোকবাসী পিতৃক বিনম্ৰতাৰে প্ৰণাম কৰিলে।



দশৰথে তেওঁৰ অতিকে' মৰমৰ পুত্ৰ ৰামচন্দ্ৰক আঁকোৱালি লৈ ক'লে, "পুত্ৰ ৰাম, তোমাৰপৰা বিচ্ছিন্ন হোৱাৰ হেতুকে স্বৰ্গত দেৱতাসকলৰ মাজত থাকি স্বৰ্গসুখ লভিও মই সুখ পোৱা নাই। তোমাৰ নিচিনা কৰ্তব্যপৰায়ণ পুত্ৰ লাভ কৰি ত্ৰিজগতৰ কোনজন পিতৃয়ে গৌৰৱ বোধ নকৰিব? এতিয়া এটা কথা মই পৰিষ্কাৰভাবে বুজি পাইছোঁ যে—তোমাৰ-দ্বাৰা ৰাৱণ-বধ কৰাবলৈহে দেৱতাসকলেই তোমাৰ ৰাজ্যাভিষেকত তেতিয়া বিঘ্ন সৃষ্টি কৰিছিল। বনবাস সমাপ্ত কৰি, ৰাৱণ-বধ সমাপ্ত কৰি তুমি অযোধ্যালৈ উলটিছা—বৰ আনন্দজনক কথা। এতিয়া প্ৰজা-মংগলকাৰী ৰজা হৈ ৰাজ্য শাসন কৰি থাকাগৈ।"

ৰামচন্দ্ৰই হাত যোৰ কৰি দশৰথক ক'লে, "এতিয়া আপুনি—মোক বনবাসলৈ প্ৰেৰণ কৰাৰ বাবে কৈকেয়ী মাতা আৰু ভৰতকো ক্ষমা কৰক।"

দশৰথে ৰামচন্দ্ৰৰ কথা মানি ল'লে আৰু লক্ষ্মণক তেওঁ বুকুত আঁকোৱালি ল'লে। দশৰথে ৰামচন্দ্ৰৰ যোগ্য ভাতৃ হৈ সদা-সৰ্বক্ষণ ৰামচন্দ্ৰৰ সেৱা-যত্ন কৰাৰ বাবে লক্ষণৰ শলাগ ল'লে আৰু তাৰ পাছত সীতালৈ চাই ক'লে, "ৰামচন্দ্ৰই যে তোমাক ত্যাগ কৰাৰ কথা কৈছে, তাৰ কাৰণে তুমি অলপো চিন্তিত নহ'বা।" এই বুলি কৈ, সকলোটিলৈ আশীৰ্বাদ জ্ঞাপন কৰি, দশৰথ পুনৰ স্বৰ্গলৈ গুচি গ'ল।

ৰাত্ৰি যেতিয়া প্ৰভাত হ'ল, বিভীষণে অযোধ্যালৈ বুলি খোজ লোৱা শ্ৰীৰামচন্দ্ৰৰ স্নানাদিৰ বাবে বন্দৰস্ত কৰাত লাগি গ'ল।

ৰামচন্দ্ৰই বিভীষণক ক'লে, "সুগ্ৰীৱ আদি বানৰকো স্নান সমাপন কৰিবলৈ কোৱা। মই এহিক্ষণেই অযোধ্যালৈ ৰাওনা হ'ম। চতুৰ্দশ বৎসৰ সমাপ্ত হোৱাৰ পাছদিনাই মই যদি অযোধ্যা নাপাওঁগে, ভৰতে সেইদিনাই অগ্নি-প্ৰবেশ কৰি

আত্মঘাতী হ'ব বুলি প্ৰতিজ্ঞা কৰিছিল।"

বিভীষণে ক'লে, "হে ৰামচন্দ্ৰ! তোমাক মই এদিনতে অযোধ্যা পোৱাব পাৰিম। ৰাৱণে কুবেৰৰ পুষ্পকবিমান বলপূৰ্বক কাঢ়ি লৈছিল। মোৰ প্ৰাৰ্থনা, তুমি, সীতাদেৱী আৰু লক্ষ্মণো সেই বিমানত উঠি অযোধ্যালৈ যাবা।"

"হে মিত্ৰ বিভীষণ, তোমাৰ পূৰ্বাপৰ সহযোগিতায়েই মোৰ সৱাতোকৈ ডাঙৰ প্ৰাপ্য। তথাপি কওঁ, মোৰ লৈতে সাক্ষাৎ কৰিবলৈ ভৰত চিত্ৰকূট পৰ্বতলৈ আহিব আৰু— ময়ো মোৰ মাতৃ কৌশল্যা, সুমিত্ৰা, কৈকেয়ী, আৰু গুৰুদেৱ বশিষ্ঠৰ স্নেহ-মৰমৰপৰা বহুকাল হ'ল বঞ্চিত। গতিকে—যিমান শীঘ্ৰে সম্ভৱ তেওঁলোকৰ লৈতে মিলিত হ'বলৈ মই উদ্‌গ্ৰীৱ হৈ আছোঁ। তুমি এতিয়াই এইক্ষণে পুষ্পক বিমান সাজু কৰা।"

বিভীষণে তৎক্ষণাৎ পুষ্পক বিমান তালৈ লৈ অহাৰ বন্দৱস্ত কৰিলে। তাৰ পাছত পুনৰ তালৈ আহি ৰামচন্দ্ৰক সুধিলে, "আৰু কিবা আদেশ আছেনে?"

"শুনা, বিভীষণ, বানৰকুলে মোৰ প্ৰতি যে বিশ্বস্ততা আৰু সহায়তা প্ৰদৰ্শন কৰিছে, তাৰ তুলনা নাই। তেওঁলোকৰ প্ৰত্যেকক বিভিন্ন আভূষণ, বস্ত্ৰাদি প্ৰদান

কৰি সন্মান জনাবলৈ মোৰ মন। ভল্লুক-বাহিনীকো যথোচিতভাবে পুৰস্কৃত কৰা হওক।" ৰামচন্দ্ৰই ক'লে।

ৰামচন্দ্ৰই কোৱামতেই বিভীষণে সকলোকে, আনকি ৰামচন্দ্ৰৰ মনৰ বাসনা মতে বহু সংখ্যক সং ৰাক্ষসকো বিভিন্ন ধৰণৰ উপহাৰ-উপঢৌকনেৰে সন্মানিত কৰিলে। আৰু তাৰ পাছত—ৰাম-সীতাক লগত লৈ পুষ্পক ৰথত উঠিলে। লক্ষ্মণো পিছে পিছে আহিব ধৰিছিল। ৰামচন্দ্ৰই বানৰ, সুগ্ৰীৱ আৰু বিভীষণক ক'লে, আপোনাসৱৰ সহায়তহে মোৰ কাৰ্য্যসিদ্ধি হ'ল। এতিয়া মই অতি ব্যথিত অন্তৰেৰে

আপোনাসৱৰপৰা বিদায় লৈছোঁ। আপোনালোকো নিজ নিজ গৃহলৈ গৈ পৰিয়াল-পৰিজনৰ চিন্তাৰ অৱসান কৰক। হে সুগ্ৰীৱ! পৰম বন্ধু মোৰ! এতিয়া নিজৰ সেনাবাহিনীৰে সৈতে কিষ্কিন্ধ্যালৈ গৈ সুখেৰে কালাতিপাত কৰা। হে বিভীষণ! তোমাক আমাৰ প্ৰতিশ্ৰুতি মতে যি স্বৰ্ণলংকাৰ অধিপতি পতা হৈছে, সেই স্বৰ্ণলংকা সুশাসনেৰে উজ্জীৱিত কৰি তোলা। এতিয়া — তোমালোকৰ তথা সকলোটিৰপৰা অনুমতি পালে মই অযোধ্যালৈ বুলি আগবাঢ়িব পাৰোঁ।”

তেতিয়া সুগ্ৰীৱ, অন্যান্য বানৰ; আৰু বিভীষণ প্ৰমুখই ৰামচন্দ্ৰৰ ওচৰত নিবেদন কৰিলে, “অযোধ্যালৈ যাবলৈ, আৰু ৰাজ্যাভিষেক চাবলৈ, তথা অযোধ্যা-বাসীলৈ আমাৰ হৃদয়ৰ উষ্ণতা জ্ঞাপন কৰিবলৈকে আমাৰ হৃদয় আকুল হৈছে। আপোনাৰ ৰাজ্যাভিষেকৰ অন্তত মাতা কৌশল্যাক আৰু অন্যান্য প্ৰণম্যকো প্ৰণাম কৰি আমি অযোধ্যা এৰি পুনৰ গুচি আহিম।”

“এই উত্তম প্ৰস্তাৱতকৈ আনন্দদায়ক প্ৰস্তাৱ—আন একো হ'ব নোৱাৰে। হে সুগ্ৰীৱ! তুমি আৰু তোমাৰ একান্ত অনুচৰহঁত এতিয়াই পুষ্পক ৰথোপৰি আৰোহণ কৰাঁহি। বিভীষণ! তুমিও তোমাৰ মন্ত্ৰিবৰ্গৰে সৈতে এই পুষ্পক বিমানতে আৰোহণ কৰাঁ।” ৰামচন্দ্ৰই বিভীষণক ক'লে।

ৰামচন্দ্ৰৰ কথা মতে সুগ্ৰীৱ আৰু বিভীষণে নিজ নিজ বিশিষ্ট সংগীৰে সৈতে পুষ্পক বিমানত আৰোহণ কৰিলে আৰু পাছ মুহূৰ্ততে পুষ্পক বিমানে আকাশলৈ বুলি উৰা মাৰিলে।

পুষ্পক বিমানখনে যেতিয়া চিত্ৰকুট পৰ্বতৰ ওচৰ পালেহি, তেতিয়া ৰামচন্দ্ৰই সীতাক আকাশৰপৰা লংকা-নগৰ দেখুৱালে। যি স্থানত তেওঁ ৰাৱণক বধ



কৰিছিল, সেই স্থানলৈকো আঙুলিয়ালে। লগতে—কুম্ভকৰ্ণ-বধৰ স্থান, সমুদ্ৰৰ সেতু-বন্ধন আদিও সীতাক ৰামচন্দ্ৰই দেখুৱালে। যি স্থানত বিভীষণে তেওঁৰ সৈতেসাক্ষাৎ কৰিছিলহি, কিষ্কিন্ধ্যাৰ যি স্থানত বালীক তেওঁ বধ কৰিছিল— সেইবোৰ ঠাইও তেওঁ সীতাক দেখুৱালে।

তেতিয়া সীতাদেৱীয়ে ৰামচন্দ্ৰক ক'লে, "অযোধ্যালৈ যোৱাৰ আগতে মোৰ এটি অনুৰোধ। আমাৰ লগত সুগ্ৰীৱ-পত্নী তাৰা আৰু অন্যান্য প্ৰমুখ বানৰৰ পত্নী সকলকো আমাৰ এই বিমানত লৈ ল'লে কেনে দেখে?" ৰামচন্দ্ৰই তৎক্ষণাৎ কিষ্কিন্ধ্যাত পুষ্পক বিমান ৰখালে আৰু সুগ্ৰীৱক সীতাৰ মনৰ ইচ্ছাৰ কথা ক'লে।

তাৰ পাছত, ৰামচন্দ্ৰৰো মনৰ অভিলাস মতে—সুগ্ৰীৱে তেওঁৰ পত্নী তাৰাক কথাটো কোৱামাত্ৰেই তাৰা উল্লসিত হৈ উঠিল আৰু তৎমুহূৰ্তেই অন্যান্য বানৰ-স্ত্ৰীসকলকো অযোধ্যালৈ যাত্ৰাৰ কথাটো ক'লেগৈ।

শুনি বানৰ-স্ত্ৰীসকলৰ মাজত হৈ-চৈ লাগি পৰিল আৰু সিহঁত যথোচিত বস্ত্ৰালংকাৰেৰে সুসজ্জিতা হৈ, আনন্দ-গীত গাই গাই—পুষ্পক বিমানত উঠিলেগৈ।

পুষ্পক বিমান পুনৰ আকাশলৈ উৰিল। এইবাৰ ৰামচন্দ্ৰই সীতাক ঋষ্যমূক পৰ্বত দেখুৱালে। দেখুৱালে—যি ঠাইত তেওঁ সুগ্ৰীৱৰ সৈতে মিলিত হৈছিলহি। অতিকৈ ধুনীয়া পম্পা সৰোবৰও তেওঁ সীতাক দেখুৱালে। সীতাক হেৰুৱাই ৰামচন্দ্ৰই যি স্থানত বিলাপ কৰিছিল, সেই স্থানো দেখুৱলে তেওঁ। আৰু—ব'ত কবন্ধক বধ কৰিছিল, লগতে অন্য অন্য উল্লখযোগ্য স্থানসমূহো সীতাক ৰামচন্দ্ৰই দেখুৱালে।

আৰু তাৰ পাছত— পুষ্পক বিমানে অত্ৰি মুনিৰ আশ্ৰম অতিক্ৰমি—শৃংগবেৰ-পুৰ, ভৰদ্বাজাশ্ৰম আদিৰ ওপৰেদি ক্ৰমাত অযোধ্যানগৰীৰ ওচৰ চাপি থাকিল।



এহেজাৰ এশ একৈছ

সকুতেই অনুৰাধাৰ মাক ঢুকাইছিল। দেউতাকে পাছত দ্বিতীয় বাৰ বিয়া কৰাইছিল, কিন্তু অনুৰাধাক তাইৰ দূৰ সম্পৰ্কীয়া আইতাক এগৰাকীৰ ওচৰত থৈ দিছিল; কিয়নো, মাহী-মাক দুৰ্গাৰতী আছিল কোপন আৰু কৰ্কশ স্বভাৱৰ।

এদিন দুৰ্গাৰতীয়ে তেওঁৰ গিৰিয়েকক ক'লে, "আপোনাৰ অতিকে মৰমৰ ধুমুৰী ছোৱালীজনী বুঢ়ী হ'বৰ হ'ল—কিন্তু তাই কোনো কাম-বনকে নজনা হৈ থাকিল। কিন্তু এদিন নহয় এদিন আমিয়েই তাইক হেজাৰ হেজাৰ ধন ভাঙি বিয়া দিব তো লাগিবই। বিয়াৰ পাছত শহুৰি খাটিবলৈ গৈ—একো এটাও কাম-বন কৰিব নজনাৰ বাবে তাই যেতিয়া চকুৰে ধোঁৱা-কোঁৱা দেখিব—তেতিয়া তাইৰ শহুৰ-ঘৰীয়াই এই মোক মাহীমাকজনীকহে দূষি থাকিব তাই একো নজনাৰ বাবে। গতিকে—তাইৰ আইতাৰাৰ ঘৰৰপৰা ইয়ালৈকে লৈ আহক, পাঁচ বছৰমান ইয়াত ৰাখি, কাম-বন শিকাই, তা'পাছতহে তাইৰ বিয়া।"

দুৰ্গাৰতীৰ গিৰিয়েক অনুৰাধাৰ বাপেক আছিল দুৰ্গাৰতীৰ আঠুৰাৰ তলৰ মহ। ভালতো নাই—বেয়াতো নাই ভোদাৰাম। গতিকে—দুৰ্গাৰতীৰ কথা মতে তেওঁ জীয়েক অনুৰাধাক ঘৰলৈ লৈ আহিলগৈ। আৰু—ঘৰ পোৱাৰ দিনৰেপৰাই অনুৰাধাজনীৰ জীৱনত নামি আহিল কেটেৰ মাতৰ সোঁত।

চহৰত আছিল দুৰ্গাৰতীৰ ভায়েক দুঃশাসন। আৰু—তাত দুঃশাসনৰ বন্ধু আছিল অনুপম। দুৰ্গাৰতীয়ে অনুৰাধাৰ

কামেশ্বৰ কলিতা

[বি]য়াখন অনুপমৰ সৈতে পাতি দিবলৈ গিৰিয়েকক আদেশ কৰিলে আৰু গোবৰ গণেশ গিৰিয়েকেও হুকুম মানি ল'লে।

অনুপম নামত আৰু দেখাতো অনুপম হ'লে কি হ'ব—কামত আছিল এটা চোৰহে। সি চহৰত থাকি চুৰি-চাপাচী কৰিয়েইহে পেট প্ৰৱৰ্তাইছিল। বিয়াৰ আগতে সি যে সি চহৰত ভালৰো ভাল চাকৰি এটা কৰে বুলি কইনা-ঘৰীয়াক কৈছিল। কিন্তু তাইৰ বিয়া হোৱাৰ এপষেক মানতে অনুৰাধাই গম পাই গৈছিল যে অনুপমে চুৰি কৰিহে আৰ্জে।

অনুৰাধাই তাইৰ গিৰিয়েক অনুপমক বহু ধৰণে বুজালে যে—শ্ৰমৰ জীৱনেই হ'ল প্ৰকৃত সুখ-শান্তিৰ তথা নিৰ্ভৰযোগ্য জীৱন। গতিকে—চুৰি-তাৰি এৰি কিবা ভাল কাম কৰি থাকিব লাগে।

অনুৰাধাৰ এনেবোৰ কথা শুনি অনুপমে সে সেকৈ হাঁহে' আৰু কয়, "ভাল কামেই কৰি আছোঁ তো—। মই এটা বুদ্ধু নে কি যে দিনে-নিশাই গাধ এটাৰ দৰে কামৰ বোজা পিঠিত কঢ়িয়াই ফুৰিম? দিনৰ ভাগত টোপনি, ৰাতিৰ পৰত খোপনি—এয়ে হ'ল মোৰ মাননী। বুইছা? এৰাতিতে এমাহৰ তো হয়েই—কেতিয়াবা এবছৰৰ আৰ্জনো হৈ যায়। কিয় মই মেহনত কৰি মৰিম?"

এইদৰে—চহৰত অনুৰাধাৰ ছমাহ পাৰ হৈ যোৱাৰ পাছত এদিন অনুৰাধা তাইৰ আইতাকৰ ওচৰলৈ গ'ল।

আইতাকৰ ওচৰত অনুৰাধাই তাইৰ দুখৰ কথা কৈ অলপ শান্তি পোৱা যেন পালে। কিন্তু শুনি আইতাকৰ মন অশান্তিৰে ভৰি পৰিল। তেওঁ অনুৰাধাজনীক ক'লে, "শুন, যি হ'ল—হ'ল। হোৱা কথাক তো নোহোৱা কৰিব নোৱাৰি। কেৱল হায়ঔ-বিঔ কৰি থকাত একো লাভ নহ'ব। সৌ সৰু মোনটো তই ল'। মোনাটোত সৰ্বমুঠ এহেজাৰ

এশ এৰৈকছ টকা আছে। এইখিনি টকা তই তোৰ অনুপমক দেগৈ, আৰু চুৰি-তাৰি এৰি এইখিনিৰে কিবা বেহা-বেপাৰত ধৰিবলৈ ক'গৈ যা।"

অনুৰাধাই তাইৰ আইতাকৰ কথাখিনি অনুপমক কোৱাৰ অন্তত টকাৰ মোনাটোও তাক দিলে আৰু আইতাকৰ ইচ্ছাৰ কথাটোও ক'লে।

শুনি অনুপমে হো হোৱাই হাঁহি উঠিল। সি ক'লে, "তুমি কৈছা—এইখিনি টকাৰে বেহা-বেপাৰত ধৰিলে এবছৰত এহেজাৰ এশ ঐকৈছ টকা আনকি দুই হেজাৰো হৈ যাব পাৰে। এহেজাৰক দহ হেজাৰ কৰিবলৈ এবছৰ কিয় বৈ থাকিম? চাই থাকা কি কৰোঁ মই।" এই বুলি কৈ গধূলিৰ আগে আগে টকাখিনি লৈ অনুপম ঘৰৰপৰা ওলাল।

ঠিক তেতিয়াই এখন ঘোঁৰাৰ গাড় সেই পিনে আহিল। গাড়ীখন ৰখাই গাড়ীখনৰ ভিতৰৰপৰা কোনোবা এজন মানুহে অনুপমক সুধিলে, "হেৰি, কালী গোঁসানীৰ মন্দিৰটো কোন ফালেদি যাব লাগিব? আপুনিও যদি সেইফাললৈকে যায়—অনুগ্ৰহ কৰি গাড়ীত উঠি বহক। আমাক অলপ সহায় কৰি দিয়ক।"

অনুপম বাগীখনত উঠি বহিল আৰু কচোৱানক বাট দেখুৱাই লৈ গ'ল। বাগীখনে কালী গোঁসানীৰ মন্দিৰলৈ গৈ





পোৱাৰ অলপ আগতেই মানুহজন নামি গ'ল বাগীৰপৰা।

মানুহজন নামি গুচি যোৱাৰ লগে লগেই অনুপমে এখন চিঠি গাড়ীৰ ভিতৰত পৰি থকা দেখা পাই চিঠিখন খুলি পঢ়িলে। চিঠিখনত লিখা আছিল :

'ভানুমতী, এই চিঠিখনৰ বাহকৰ হাততে সন্তহতে কিনি অনা পঁচিছ হেজাৰ টকা মূল্যৰ সেই সোণৰ হাৰডাল দি পঠাবা। মই অন্য এটা কামত পৰি নিজে যাব নোৱাৰিলোঁ ; কিন্তু তুমি নিশ্চিন্তে হাৰডাল পঠাই দিবা, কিয়নো—অপছন্দ হ'লে সলাই লোৱাৰ আজিয়েই শেষ দিন। তোমাৰ পছন্দমতেই অন্য এধাৰ হাৰ সলাই আনিম। তুমি মন্দিৰৰ দক্ষিণ চুকত বহি আছা যে—মই জানিছোঁ।"

চিঠিখন পঢ়িয়েই অনুপম মন্দিৰলৈ দৌৰি গ'ল আৰু মন্দিৰৰ দক্ষিণ চুকত বহি থকা একমাত্ৰ মহিলাগৰাকীক ক'লেগৈ "আপুনিয়েই ভানুমতী নহয়নে ?"

মহিলাগৰাকীয়ে মিচিকীয়াই হাঁহিলে।

অনুপমে চিঠিখন তেওঁক দিলে।

চিঠিখন পঢ়াৰ অন্তত মহিলাগৰাকীয়ে ক'লে, "কিন্তু—কিন্তু কথা এটা হ'ল নহয়—? অলপমান আগতে মোৰ দুহেজাৰ টকাৰ আৱশ্যক হোৱাত সেই হাৰডাল মোৰ চিনাকি মহিলা এগৰাকীৰ ওচৰত থৈ দুহেজাৰ টকা ললোঁ মই। গতিকে — এতিয়া টকা দুহেজাৰ ক'ৰবাৰপৰা পাওঁ যদি—তেহে পুনৰ লৈ আহিব পাৰিম। কি কৰোঁ—কওকচোন ?"

অনুপমে ক'লে, "চাওক, মোৰ ওচৰত এহেজাৰ এশ একৈছ টকা আছে। এইখিনিৰে যদি আনিব পাৰে—"

ভানুমতীয়ে কৈ উঠিল, "হে যাব। মহিলাগৰাকী আমাৰ বহু দিনৰ চিনাকি। এয়া—এই মন্দিৰৰ পিছফালতে থাকে। মই এতিয়াই আনি দিম আপোনাক।"

অনুপমে তাৰ জেপত থকা এহেজাৰ

এশ একৈছ টকীয়া মোনাটি ভানুমতীক দিলে আৰু সেইখিনি লৈ ভানুমতী মন্দিৰৰ পিছফালেদি গুচি গ'ল। অনুপমক তাতে বৈ থাকিবলৈ কৈ গ'ল।

চাওঁতে চাওঁতেই ভানুমতী পুনৰ তালৈ আহিল, আৰু চিঠিখনতলিখা মতে পঁচিছ হেজাৰ টকীয়া সোণৰ হাৰডাল অনুপমৰ হাতত গটাই দিলে। অনুপমে ভানুমতীক নমস্কাৰ কৰি মুহূৰ্ততে তাৰপৰা নোহোৰা হৈ গ'ল আৰু চোৰাং মাল-বস্তু বেচা সোণাৰি এজনৰ দোকানলৈ গ'ল।

দোকানীয়ে সেই পঁচিছহেজাৰ টকীয়া সোণৰ হাৰডাল কষটি শিলত পৰীক্ষা কৰাৰ অন্তত মাটিলৈ দলিয়াই পেলালে আৰু ক'লে, "হেৰা, এনে নকলী সোণৰ বস্তুৰে ভাঁৱিবলৈ কেতিয়া শিকিলাহে?"

অনুপমৰ মূৰত যেনিবা সৰগ ভাগি কৰিল। অনুপমে কি কৰিব কি নকৰিব ভাবি উলিয়াব নোৱাৰিলে। তাক যে সেই বাগীখনৰ মানুহজনেই ফান্দত পেলাই এনেকৈ বোন্দা-থেকেচা দিলে— তাক বুদ্ধিহীন সামান্য চোৰ এটা বুলি প্ৰমাণ কৰিলে—সেই কথাত তাৰ কোনো সন্দেহ নাথাকিল।

হঠাৎ অনুপমে উপলব্ধি কৰিলে যে —সি তাৰ মাজত যিমান বুদ্ধি-চাতুৰ্য্য থকা বুলি ভাবিছে—সেয়া ঠিক নহয়। অনুপমে আজিৰেপৰাই চুৰি-তাৰিৰ বা প্ৰতাৰণাৰ কাম-কাজ এৰিলে আৰু কথাটো অনুৰাধাকো ভাঙি-পাতি কৈ আগলৈ—তাইৰ পৰামৰ্শ মতেই শ্ৰম কৰি জীৱিকা আৰ্জিবলৈ প্ৰতিজ্ঞা ল'লে।

কিন্তু সেই ঘোঁৰা-বাগীৰ নাটখনৰ সম্পূৰ্ণ বন্দৰস্তয়েই অনুৰাধায়েই যে তাইৰ সৰুকালৰ বান্ধৱী ভানুমতীৰ আৰু ভানুমতীৰ গিৰিয়েকেৰ সহায় লৈ কৰিছিল, সেই কথাটোহে অনুপমে জীৱনতো নাজানিলে।





জুই

কোনোবা এখন গাঁৱত বলভদ্ৰ নামৰ এজন দুখীয়া খৰিকটীয়া আছিল। বলভদ্ৰ আছিল ভালেমান ছা-ছলিৰ পিতৃ। বলভদ্ৰই হাবিৰপৰা খৰি কাঠ কাটি আনিছিল। আৰু সেই খৰিকাঠ বিক্ৰি কৰি যিখিনি পইচা-পাতি পাইছিল তাৰে কথমপি চলিছিল।

আনদিনাৰ দৰে সিদিনাও কুঠাৰখন কান্ধত লৈ বলভদ্ৰ হাবিলৈ গ'ল খৰিকাঠ আনিবলৈ। কিন্তু বলভদ্ৰয়ে হাবি পালে, আৰু বৰষুণেও সঁতা ধৰিলে। তেতিয়া বলভদ্ৰ হাবিৰ সোঁমাজত। বলভদ্ৰই সেই হাবিৰ সোঁমাজত অতি জীৰ্ণ পঁজা ঘৰ এটা দেখা পাই দৌৰি দৌৰি তালৈ গ'ল। অলপ পাছত বৰষুণ কিছু কমিল। তেতিয়া বলভদ্ৰই ভাবিলে ঃ আজি আৰু খৰি-কাঠ ক'ত পাম? হাবিৰ গছ-গছনিবোৰ শুকাওঁতে দুটামান দিন ল'বই। গতিকে আজি আৰু হাবিত খৰি-কাঠো নাপাওঁ, ঘৰত খাবলৈকো নাপাওঁ।

এবোৰ কথা ভাবি ভাবি বলভদ্ৰ পঁজাঘৰটোৰপৰা ওলাই আহিল আৰু তেতিয়া তাৰ চকুত—পৰিল—সেই পঁজা ঘৰটোৰ গা-তে লগা কাঠৰ মূৰ্তি এটালৈ। কোনোবা দেৱতা বা দেৱীৰ মূৰ্তিহে হ'ব কিজানি। বলভদ্ৰই ভাবিলে ঃ কিন্তু দেৱতায়েই হওক বা দেৱীয়েই হওক—কাঠৰ—আৰু শুকান কাঠৰ মূৰ্তি মূৰ্তি তো হয়েই। আৰু এই মূৰ্তিটোক নিশ্চয় কোনেও পূজাও নকৰে। এনে অটব্য হাবিলৈ কোননো আহিব পূজা দিবলৈ?

এই কাঠৰ মূৰ্তিটোক কুঠাৰেৰে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ফালিলে যে বুজন পৰিমাণৰ খৰিকাঠ পাব সেই কথাত বলভদ্ৰ নিঃসন্দেহ। গতিকে সি মূৰ্তিটোক ফালিবলৈ পোনে পোনেই তাৰ কুঠাৰখন দাঙিলে।

আৰু লগে লগে সেই কাঠৰ মূৰ্তিৰপৰা এক নাৰীকণ্ঠই কৈ উঠিল, "ৰ'বা! বলভদ্ৰ, ৰ'বা। মোক নাকাটিবা।"

কাঠৰ মূৰ্তিৰপৰা নাৰীকণ্ঠই এই কথা কোৱাত বলভদ্ৰই ৰৈ দিলে আৰু ক'লে, "ক্ষমা কৰা আই গোসাঁনী! তুমি যে কাষ্ঠমূৰ্তিৰ-মাজতো জীৱন্ত, মই অগিয়ানে নাজানিছিলোঁ। মই তোমাক এচটা কাঠ বুলিহে ভাবিছিলোঁ। আই, তোমাক মই আৰু নাকাটোঁ, কিন্তু আজি আমি পা পৰিয়ালে-লঘোণকে দিব লাগিব।"

কাষ্ঠমূৰ্তি গোসাঁনীয়ে তেতিয়া ক'লে, "বলভদ্ৰ, তোমাৰ দাৰিদ্ৰ্যৰ কথা মই জানো। গতিকে—তুমি যে বাধ্যত পৰি দাৰুমূৰ্তিৰূপী মোক কাটিবলৈ কুঠাৰ দাঙিছিলা, সেই কথাত মই তোমাৰ ওপৰত ক্ৰুদ্ধ হোৱা নাই। তোমাৰ এই দাৰিদ্ৰ্য মই গুচাম। তুমি ঘৰলৈ উভতি যোৱা। ঘৰলৈ গৈ—তোমালোকৰ ঘৰত থকা আটাইতকৈ ডাঙৰ বাচনখন আখাৰ ওপৰত থৈ দিবা--আৰু তেতিয়াই বিধোবিধ খোৱাবস্তু পাবা।" এই বুলি কোৱাৰ অন্তত প্ৰত্যক্ষ দেৱী অন্তৰ্হিতা হ'ল আৰু পুনৰ কাষ্ঠমূৰ্তি হৈ পৰিল।



তাৰ পাছত বলভদ্ৰ ঘৰলৈ উভতি আহিল আৰু তাৰ পৰিবাৰক সকলো কথা খুলি-মেলি ক'লে। শুনি—আচৰিত হৈ পৰা বলভদ্ৰৰ পৰিবাৰে সিহঁতৰ ঘৰৰ একমাত্ৰ নতুন বাচনখন আনি ঢাকনি এখনেৰে ঢালি আখাৰ ওপৰত থৈ দিলে আৰু অলপ পাছত গুচাই বিধোবিধ খোৱাবস্তু বাচনখনত দেখা পালে।

খোৱাবস্তুখিনি ইমানেই সোৱাদ আছিল যে—সিহঁতে জীৱনতো তেনেকুৱা সোৱাদ খোৱাবস্তু খোৱাৰ কথা বাদেই —কল্পনাও কৰিব পৰা নাছিল।

তাৰ পাছত—প্ৰতিদিনেই—তেনেকৈ আখাৰ ওপৰত ডাঙৰ পাত্ৰ থৈ দিয়ে, আৰু পাছমুহূৰ্ত্তে সেইবোৰ পাত্ৰ বিধোবিধ খোৱাবস্তুৰে ভৰপূৰ হৈ উঠে, সিহঁতহালে সিহঁতৰ ল'ৰা-ছোৱালী বিলাকক পেট পূৰাই খুৱায়, নিজে খায়, আৰু আনকি চুবুৰীয়া কিছুমানকো মাতি আনি খুৱায়।

বলভদ্ৰহঁতৰ ঘৰৰপৰা অলপমান আঁতৰত আছিল কণমাইহঁতৰ ঘৰ। যিজন বলভদ্ৰ নামৰ কাঠ-কটীয়াটোৱে সৌ সিদিনালৈকেও খুদকণৰ নিসনিকে খাইছিল—ক'বলৈ গ'লে দিন-ভিক্ষা প্ৰাণ ৰক্ষা কৰিছিল—সেইজন বলভদ্ৰই হঠাৎ কেনেকৈনো ইমান ডাঙৰ মানুহ হৈ উঠিল—সেই কথা ভাবি কণমাইৰ মনত সন্দেহই মূৰ দাঙিলে। সৌ সিদিনালৈকে খাবলৈ নোপোৱা কাঠ-কটীয়াটোৰ কপাল এনেকৈ ফুলিলনো কেনেকৈ? এই কথাৰ আঁতি-গুৰি নজনালৈকে তাইৰ মনত শান্তি নাই। কিন্তু—উপায়?

ভাবি ভাবি উপায় এটা ওলাল। কণমায়ে বলভদ্ৰৰ সুমলীয়া ল'ৰাটোক মাতি আনিলে আৰু তাৰপৰা সকলো কথা জানি ল'লে। ল'ৰাটোৱে হাবিৰ গোসাঁনীৰ কথা, তাৰ দেউতাকে সেই গোসাঁনীৰ কাঠৰ মূৰ্তিটোক কুঠাৰেৰে ফালিবলৈ ধৰাত কাঠৰ মূৰ্তি জীৱন্ত হৈ

উঠি তাৰ দেউতাকক বাধা দিয়াৰ কথা, আৰু পাছত গোসাঁনীয়ে তাৰ দেউতাকক 'বৰ' দিয়াৰ কথা—সকলোখিনিয়েই একে একে কৈ দিলে সি।

শুনি—কণমাইৰ মনত ঈৰ্ষাৰ জুই জ্বলিল। তাইৰ গিৰিয়েক কনিৰাম যেতিয়া কাম-বনৰ অন্তত ঘৰলৈ আহিল, তেতিয়া তাই তাইৰ গিৰিয়েকক বলভদ্ৰৰ কথাবোৰ ক'লে, আৰু লগতে ইয়াকো ক'লে যে—কুঠাৰ এখন লৈ কনিৰামো সেই হাবিলৈ যাওক, কাঠৰ মূৰ্তিৰূপী গোসাঁনীক কাটিবলৈ লওক, আৰু তাৰ পাছত গোসাঁনীৰপৰা যেনেতেনে 'বৰ' লৈ ঘৰলৈ ঘূৰক। যদি নোৱাৰে—সি ঘৰলৈ আৰু নুঘূৰিলেও হ'ব।

কনিৰামে কি আৰু কৰিব? বাধ্যত পৰি কুঠাৰ এখন কান্ধত লৈ সেই হাবিলৈ গ'ল, হাবিৰ সোঁমাজত থকা পঁজাঘৰটো, আৰু সেই কাঠৰ গোসাঁনী মূৰ্তিটোও বিচাৰি উলিউৱা হ'ল। আৰু—তাৰ পাছত সেই কাঠৰ মূৰ্তিৰূপী গোসাঁনীক কুঠাৰেৰে ফালিবলৈ কুঠাৰ দাঙি ধৰাৰ লগে লগে কাঠৰ মূৰ্তিৰূপী গোসাঁনীয়ে কনিৰামক কৈ উঠিল, "হেৰ নীচ নৰাধমটো! মোক তই সঁচাকৈয়েই কুঠাৰেৰে ফালিবিনে? হয়নে? মোক তই

কি বুলি ভাবিছ?" গোসাঁনীৰ কথা শুনি কণিমাইৰ গিৰিয়েক কনিৰাম কঁপি উঠিল, সি এতিয়াই ধাচ্‌কৈ বাগৰি পৰি মৰি যাব যেন লাগিল তাৰ। কাঠৰ মূৰ্তিৰ চকুৰেদি তেতিয়া জুই ওলাইছেহে!

কনিৰামে হাতযোৰ কৰি গোসাঁনীক ক'লে, "আই, মোক ক্ষমা কৰা। মই অনিয়ায় কামকে কৰিলোঁ, মোৰ অপৰাধ মৰিষণ কৰা, আই গোসাঁনী! কিন্তু আই, এটা কথা — যি কাম কৰি বলভদ্ৰই তোমাৰপৰা বৰ পালে, সেই একেই কাম কৰাত মোৰ প্ৰতি কিয় বমকি উঠিলা, —ক'বানে মোক আই?"

"বলভদ্ৰ আছিল আজন্ম দুখীয়া। তুমিনো কিহৰ দুখীয়া? তোমাক কিয় এনে দুৰ্ঘোৰ অন্যায়-অপৰাধৰ বাবে ক্ষমা কৰিম?" কাঠৰ গোসাঁনী-মূৰ্তিয়ে কনিৰামক ক'লে।

"আই, বলভদ্ৰ হ'ল ধনৰ দুখীয়া, মই হ'লোঁ জ্ঞানৰ দুখীয়া। ক্ষমা কৰা, আই!" এই বুলি কৈ কনিৰামে গোসাঁনীৰ আগত সাষ্টাংগে প্ৰণিপাত কৰিলে।

"এটা চৰ্তত মই তোমাক ক্ষমা কৰিব পাৰোঁ। বলভদ্ৰক মই অন্ন-ব্যঞ্জন পোৱাৰ বৰ দান কৰিলোঁ, কিন্তু তাক ঘিউ পোৱাৰ বৰ নিদিলোঁ। আজন্মকাল ধৰি শুদা ভাত শুদা খুদকণ সিজাই খোৱা বেচাৰা বলভদ্ৰই এতিয়া ঘিউৰে-ভাতে খাওক— এয়ে মোৰ ইচ্ছা। তুমি যদি প্ৰতিদিন বলভদ্ৰক এপোৱাকৈ ঘিউ দিয়া—মই তোমাৰ অপৰাধ ক্ষমা কৰিম। নতুবা— তোমাক তোমাৰ পা-পৰিয়ালে ধ্বংস কৰিম। কি কৰা—এতিয়াই কোৱা।"

"আই, তোমাৰ যি ইচ্ছা—মই তাকেই কৰিম। কিন্তু মোৰ অপৰাধ মৰিষণ কৰাঁ, আই।" কনিৰামে এই কথা গোসাঁনীক ক'লে আৰু পুনৰ কাঠৰ মূৰ্তিৰ আগত দীঘল দিলে।

তাৰ পাছত কনিৰাম কথমপি ঘৰলৈ ঘূৰিল, আৰু কণিমাইক সকলো কথা বিবৰি ক'লে। লগতে ইয়াকো ক'বলৈ নাপাহৰিলে যে—"এয়া হ'ল শাস্তৰত কোৱা সেই—'স্ত্ৰী-বুদ্ধি প্ৰলয়ংকৰী'ৰ দেখ দেখ ফল। এতিয়া—মনৰপৰা ঈৰ্ষাৰ জুই চকুৰ পানীৰে নুমাই বলভদ্ৰৰ ঘৰলৈ প্ৰতিদিন এপোৱাকৈ ঘিউ পঠাই থাকা। নহ'লে কিন্তু গোসাঁনীয়ে আমাক সদা-সৰ্বক্ষণ যমৰ আলহী কৰি পঠাব—এই কথাটো মনত ৰাখিবা। আৰু মনত ৰাখিবা—ঈৰ্ষা হ'ল জুই, জুয়ে একো সৃষ্টি নকৰে, কেৱল ধ্বংসহে কৰে।"

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

ছোণৰ সোলেং !

'হেজাৰ টকা দিয়ক, এটি চেগুণ-পুলি ৰোৱক, ২০ বছৰ ধৰি বাঢ়িবলৈ দিয়ক, আৰু বিছ বছৰৰ পাছত এই চেগুণ-পুলিটিয়েই আপোনাক দিব এহেজাৰ সলনি একলাখ টকা !' এনেবোৰ বিজ্ঞাপন এতিয়া বাতৰি-কাকতবোৰত প্ৰায়েই ওলোৱা নিশ্চয় আপোনাকো চকুত নপৰা নহয়। পিছে কথানো কি ? কথা হ'ল যে—কাঠৰ মূল্য সোণৰ সমান বুলি কোৱা হৈছে। কথাৰ ইমানতে অন্ত পৰা নাই। থাইল্যাণ্ডৰ দুগৰাকী গৱেষণাকাৰীৰ মতে—চেগুণ বৃক্ষৰপৰা প্ৰকৃততেই হেনো সোণ ওলায়। এনেবিধ চেগুণগছক তেওঁলোকে 'স্যাক্ থং' বুলি কয়। থাই ভাষাত 'স্যাক্' মানে গছ, আৰু 'থং' মানে সোণ। দক্ষিণ ভাৰতৰ কিছুমান দোৱানতো সোণক 'থংগম্' বুলি কোৱা হয় !

মাতৃ-বৃক্ষ !

আপোনালোকে বহুবিধৰ সমিতিৰ নাম শুনিছে। কিন্তু এনেকুৱা সমিতিৰ নাম কেতিয়াবা শুনিছেনে, যি সমিতিৰ সদস্য কোনো মানুহ নহয়, —গছ ? উত্তৰপ্ৰদেশত এনেহেন সমিতি এখনত ৩৫০০০ 'শ্ৰেষ্ঠ মাতৃ-বৃক্ষ' সদস্য আছে, যিবোৰ মাজত আছে—নিম, জামু, শিশম, ওক্, দেৱদাৰু, আদি অন্যান্য বহু বিধৰ গছ। এই 'সদস্য-গছ'বিলাকে যাতে ভালৰো ভাল বীজ উৎপাদন কৰিব পাৰে, তাৰ বাবে এই গছবোৰক বিশেষ নিৰাপত্তা প্ৰদান কৰা হয়। 'শ্ৰেষ্ঠ মাতৃ-বৃক্ষ' হ'বলৈ হ'লে : অন্যান্য বৃক্ষৰ তুলনাত পোন হৈ উঠিব লাগিব, আৰু ইয়াৰ ডাল-পাতবোৰো সতেজ হ'ব লাগিব। এইজোপা গছক হালধীয়া ৰঙৰ বেৰীৰে বোলোৱা হ'ব। এয়া শ্ৰেষ্ঠতাৰ স্বীকৃতিসূচক প্ৰথম বেৰী বা থাক। তাৰ পাছত, এইজোপাৰ গুটিৰে যেতিয়া যথেষ্ট ভাল পুলি উৎপাদিত হয়, তেতিয়া দ্বিতীয় বাৰ হালধীয়া ৰঙৰ বেৰী পিন্ধোৱা হ'ব। এনেবোৰ পুলিয়ে যেতিয়া খৰাং বতৰ, বানপানী, পোকে-পৰুৱাৰ আক্ৰমণৰপৰা নিজক ৰক্ষা কৰিবপৰা প্ৰমাণ দিব—তেতিয়া 'মাতৃ-বৃক্ষ'জোপাক তৃতীয়বাৰ হালধীয়া ৰঙৰ থাক পিন্ধাই শ্ৰেষ্ঠ মাতৃ-বৃক্'ৰ স্থায়ী স্বীকৃতি প্ৰদান কৰা হ'ব।

উচ্চতমা !

আমেৰিকাৰ ক্যালিফ'র্নিয়াৰ হামবোল্ট স্টেট পাৰ্কত এজোপা ৰঙা ৰঙৰ চন্দন গছৰ উচ্চতা হ'ল ১১৩ মিটাৰ। বৰ্তমানে এইজোপা গছেই পৃথিৱীৰ সবাতোকৈ ওখ গছ বুলি কোৱা হৈছে। ১৯৮৮ চনত আৱিষ্কৃত এইজোপা গছৰ ডাল-পাতবোৰৰ পৰীক্ষা-নিৰীক্ষা কৰি ইয়াৰ বয়স তিনি হাজাৰ বুলি কোৱা হৈছে। ইমান দিন ধৰি অষ্ট্ৰেলিয়াৰ ভিক্ট'ৰিয়াত থকা এজোপা ১৩২ মিটাৰ ওখ ইউক্যালিপটাছক বিশ্বৰ উচ্চতম বুলি গণ্য কৰা হৈছিল। সেই ভিক্ট'ৰিয়াতে আন এজোপা ১৪৩ মিটাৰ ওখ ইউক্যালিপটাছ আছিল !


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!


SUPER
RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
CHANDAMAMA
COLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ অকটʼবাৰ সংখ্যাত প্ৰকাশিত হʼব ।

M. Natarajan

P.R. Murthy

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হʼব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহʼব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হʼব।
* ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৩ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : তৃষ্ণা প্ৰাণৰ   দ্বিতীয় ফটো : তৃষ্ণা মনৰ

পুৰস্কাৰ প্ৰাপক : মহম্মদ ইমৰান হুছেইন, মওলানা অবদুল হান্নান হাইস্কুল, তিনিআলি বজাৰ, লংকা।

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Karishma/SW/6/2016 AS A

মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
nutrine
COOKIES
লৰা-ছেৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh NC/9090/Ass